# ৰাইজৰ দল

# সংবিধান

(অসমীয়া সংস্কৰণ)

Constitution of

# Raijor Dal

# ৰাইজৰ দল

## সংবিধান

### সূচী


| অনুচ্ছেদ | বিষয় | পৃষ্ঠা |
|---|---|---|
| **ভাৰতৰ সংবিধানৰ প্ৰস্তাৱনা** | | |
| **অনুচ্ছেদ ১ ঃ** | **নাম, পতাকা, প্ৰতীক** | **১** |
| | ১.১ নাম | |
| | ১.২ পতাকা | |
| | ১.৩ কৰ্মক্ষেত্ৰ | |
| | ১.৪ মুখ্য কাৰ্যালয় | |
| **অনুচ্ছেদ ২ ঃ** | **লক্ষ্য আৰু উদ্দেশ্য** | **২-৫** |
| **অনুচ্ছেদ ৩ ঃ** | **সদস্য ভৰ্তি আৰু সদস্যৰ দায়িত্ব-কৰ্তব্য** | **৫-৯** |
| | ৩.১ সদস্যৰ যোগ্যতা | |
| | ৩.২ সদস্যৰ প্ৰকাৰ | |
| | ৩.৩ সদস্যৰ কাৰ্যকাল | |
| | ৩.৪ সদস্য ভৰ্তিৰ মাচুল | |
| | ৩.৫ সদস্যৰ নবীকৰণ | |
| | ৩.৬ সদস্যৰ দায়িত্ব আৰু কৰ্তব্য | |
| | ৩.৭ সদস্যৰ প্ৰশিক্ষণ | |
| | ৩.৮ সক্ৰিয় সদস্যৰ দায়িত্ব-কৰ্তব্য | |
| | ৩.৯ সদস্যৰ পঞ্জীয়নবহী আৰু সক্ৰিয় সদস্যৰ পঞ্জীয়নবহী সঠিক ৰূপত সংৰক্ষণ | |
| | ৩.১০ সৰ্বক্ষণৰ কৰ্মী | |

| | | | |
|---|---|---|---|
| **অনুচ্ছেদ ৪ ঃ** | **সাংগঠনিক গাঁথনি** | | **৯-১১** |
| | ৪.১ | প্ৰাথমিক সমিতি | |
| | ৪.২ | শাখা সমিতি | |
| | ৪.৩ | আঞ্চলিক সমিতি | |
| | ৪.৪ | নগৰ সমিতি | |
| | ৪.৫ | মণ্ডল সমিতি | |
| | ৪.৬ | ব্লক সমিতি | |
| | ৪.৭ | সমষ্ঠি সমিতি | |
| | ৪.৮ | জিলা সমিতি | |
| | ৪.৯ | খণ্ড সমিতি | |
| | ৪.১০ | কেন্দ্ৰীয় সমিতি | |
| **অনুচ্ছেদ ৫ ঃ** | **বিভিন্ন সমিতিসমূহৰ গঠনতন্ত্ৰ** | | **১১-১৫** |
| | ৫.১ | প্ৰাথমিক সমিতিৰ গঠন, বিষয়ববীয়া নিৰ্বাচন আৰু কাৰ্যাৱলী | |
| | ৫.২ | শাখা সমিতিৰ গঠন আৰু কাৰ্যাৱলী | |
| | ৫.৩ | আঞ্চলিক, নগৰ সমিতি আৰু মণ্ডল সমিতিৰ গঠন আৰু কাৰ্যাৱলী | |
| | ৫.৪ | ব্লক সমিতিৰ গঠন আৰু কাৰ্যাৱলী | |
| | ৫.৫ | সমষ্ঠি সমিতিৰ গঠন | |
| | ৫.৬ | জিলা সমিতিৰ গঠন | |
| | ৫.৭ | খণ্ড সমিতিৰ গঠন | |
| | ৫.৮ | কেন্দ্ৰীয় সমিতিৰ গঠন | |
| | ৫.৯ | আঞ্চলিক আৰু নগৰ সমিতিৰ কাৰ্যনিৰ্বাহক সমিতিৰ বিষয়বাব | |
| | ৫.১০ | মণ্ডল সমিতি, ব্লক সমিতি, সমষ্ঠি সমিতি আৰু জিলা সমিতিৰ কাৰ্যনিৰ্বাহক সমিতিৰ বিষয়বাব | |
| **অনুচ্ছেদ ৬ ঃ** | **সাংগঠনিক সমিতিসমূহৰ দায়িত্ব আৰু কৰ্তব্য** | | **১৬-১৮** |
| | ৬.১ | সাংগঠনিক সমিতিসমূহৰ দায়িত্ব আৰু কৰ্তব্য | |

৬.২ সাংগঠনিক দায়িত্ব আৰু কৰ্তব্য

**অনুচ্ছেদ ৭ ঃ জিলা সমিতি ১৮-১৯**

৭.১ জিলা সমিতিৰ সাধাৰণ পৰিষদ গঠন

৭.২ জিলা সমিতিৰ সাধাৰণ পৰিষদৰ সভাৰ আহ্বান

৭.৩ জিলা সমিতিৰ সাধাৰণ সভা আৰু সাধাৰণ পৰিষদ আহ্বানৰ নিয়ম

৭.৪ সাধাৰণ সভা আৰু সাধাৰণ পৰিষদৰ থূল

**অনুচ্ছেদ ৮ ঃ দলৰ বিষয়ববীয়া, সক্ৰিয় সদস্য আৰু সৰ্বক্ষণৰ কৰ্মীৰ সাধাৰণ দায়িত্ব আৰু কৰ্তব্য ১৯-২০**

**অনুচ্ছেদ ৯ ঃ প্ৰাথমিক সমিতিৰ পৰা জিলা সমিতিলৈ বিষয়ববীয়াৰ দায়িত্ব আৰু কৰ্তব্য ২০-২৩**

৯.১ উপদেষ্টা

৯.২ সভাপতি

৯.৩ উপসভাপতি

৯.৪ সাধাৰণ সম্পাদক

৯.৫ সম্পাদক

৯.৬ সহঃ সম্পাদক

৯.৭ সাংগঠনিক সম্পাদক

৯.৮ তথ্য আৰু প্ৰচাৰ সম্পাদক

৯.৯ বিত্ত সম্পাদক

৯.১০ কাৰ্যালয় সম্পাদক

৯.১১ হিচাপ পৰীক্ষক

৯.১২ জিলা সমিতিৰ মুখপাত্ৰ আৰু অন্যান্য সমিতি গঠনৰ ক্ষমতা

**অনুচ্ছেদ ১০ ঃ কেন্দ্ৰীয় অধিবেশন আৰু কেন্দ্ৰীয় সমিতি ২৪-৩২**

১০.১ কেন্দ্ৰীয় সাধাৰণ অধিবেশন

১০.২ কেন্দ্ৰীয় সমিতি

১০.২.১ কেন্দ্ৰীয় সাধাৰণ পৰিষদ
১০.২.২ কেন্দ্ৰীয় সাধাৰণ পৰিষদৰ সভাৰ আহ্বান
১০.২.৩ কেন্দ্ৰীয় সাধাৰণ পৰিষদৰ সভা আহ্বানৰ নিয়ম
১০.২.৪ কেন্দ্ৰীয় সাধাৰণ পৰিষদৰ থূল
১০.২.৫ কেন্দ্ৰীয় সাধাৰণ পৰিষদৰ দায়িত্ব আৰু ক্ষমতা
১০.৩.১ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সমিতি গঠন
১০.৩.২ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহকৰ দায়িত্ব আৰু ক্ষমতা
১০.৩.৩ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহকৰ বিষয়ববীয়াৰ নিৰ্বাচন
১০.৩.৪ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহকৰ বিষয়ববীয়াসকল
১০.৩.৫ কেন্দ্ৰীয় বিষয়ববীয়াৰ মনোনয়ন
১০.৩.৬ কাৰ্যনিৰ্বাহক সভাৰ আহ্বান
১০.৩.৭ কাৰ্যনিৰ্বাহক সভাৰ জাননী
১০.৩.৮ কাৰ্যনিৰ্বাহক সভাৰ থূল
১০.৩.৯ তলবী সভা
১০.৩.১০ বিষয়ববীয়াৰ সভা
১০.৪ কেন্দ্ৰীয় কাৰ্যালয় পৰিচালনা

**অনুচ্ছেদ ১১ ঃ বিষয়ববীয়াৰ কাৰ্যকাল আৰু সাংগঠনিক নিৰ্বাচন** ৩২

**অনুচ্ছেদ ১২ ঃ কেন্দ্ৰীয় সমিতিৰ বিষয়ববীয়াসকলৰ দায়িত্ব, কৰ্তব্য আৰু ক্ষমতা** ৩২-৩৬

১২.১ উপদেষ্টা
১২.২ সভাপতি
১২.৩ কাৰ্যকৰী সভাপতি
১২.৪ উপসভাপতি
১২.৫ সাধাৰণ সম্পাদক
১২.৬ সম্পাদক
১২.৭ বিত্ত সম্পাদক

১২.৮ কোষাধ্যক্ষ

১২.৯ তথ্য আৰু প্ৰচাৰ সম্পাদক

১২.১০ মুখপাত্ৰ

১২.১১ কাৰ্যালয় সম্পাদক

১২.১২ হিচাপ পৰীক্ষক

**অনুচ্ছেদ ১৩ ঃ কেন্দ্ৰীয় কৰ্ণধাৰ সমিতি** **৩৬-৩৭**

১৩.১ কৰ্ণধাৰ সমিতিৰ গঠন

১৩.২ কৰ্ণধাৰ সমিতিৰ দায়িত্ব আৰু কৰ্তব্য

১৩.৩ কৰ্ণধাৰ সমিতিৰ সভা আহ্বান

**অনুচ্ছেদ ১৪ ঃ সংসদীয় ব'ৰ্ড** **৩৭-৩৮**

**অনুচ্ছেদ ১৫ ঃ নিৰ্বাচন সমিতি আৰু নিৰ্বাচন পৰিচালনা সমিতি** **৩৮-৪১**

১৫.১ নিৰ্বাচন সমিতি

১৫.২ নিৰ্বাচন সমিতিৰ দায়িত্ব আৰু কৰ্তব্য

১৫.৩ নিৰ্বাচন সমিতিৰ দায়িত্ব আৰু কৰ্তব্য

১৫.৪ বিভিন্ন পৰ্যায়ৰ নিৰ্বাচন পৰিচালনা সমিতিসমূহৰ গাঁথনি ঃ

(ক) ৱাৰ্ড নিৰ্বাচন পৰিচালনা সমিতি

(খ) বুথ নিৰ্বাচন পৰিচালনা সমিতি

(গ) ব্লক নিৰ্বাচন পৰিচালনা সমিতি

(ঘ) বিধানসভা সমষ্টি নিৰ্বাচন পৰিচালনা সমিতি

(ঙ) লোকসভা সমষ্টি নিৰ্বাচন পৰিচালনা সমিতি

(চ) স্বায়ত্ত্ব শাসিত পৰিষদ সমষ্টি নিৰ্বাচন পৰিচালনা সমিতি

**অনুচ্ছেদ ১৬ ঃ দলৰ ভাতৃ-ভগ্নী সংগঠনসমূহ আৰু কোষসমূহ** **৪১-৪৩**

১৬.১ ভাতৃ-ভগ্নী সংগঠনসমূহ

১৬.২ কোষসমূহ

১৬.৩ তথ্য, গৱেষণা আৰু প্ৰচাৰ কোষ

| | | |
|---|---|---|
| **অনুচ্ছেদ ১৭ ঃ** | **দলৰ বিভিন্ন সমিতিসমূহ** | **৪৪** |
| | **১৭.১ সমিতিসমূহৰ নাম** | |
| **অনুচ্ছেদ ১৮ ঃ** | **দলৰ সংবাদপত্ৰ, মুখপত্ৰ, ৱেবছাইট আৰু ছ'চিয়েল মিডিয়াৰ পৰিচালনা** | **৪৪** |
| **অনুচ্ছেদ ১৯ ঃ** | **পুঁজি সংগ্ৰহ, ব্যয় আৰু হিচাপ পৰীক্ষা** | **৪৫** |
| **অনুচ্ছেদ ২০ ঃ** | **দল পৰিচালনাৰ নীতি আৰু অনুশাসনমূলক নীতিসমূহ** | **৪৫-৪৮** |
| | ২০.১ দলীয় অনুশাসনৰ নীতিসমূহ | |
| | ২০.২ কি কাৰণে অনুশাসনমূলক ব্যৱস্থা গ্ৰহণ কৰা হ'ব | |
| | ২০.৩ দলীয় অনুশাসন গ্ৰহণৰ নিয়মসমূহ | |
| **অনুচ্ছেদ ২১ ঃ** | **দল পৰিচালনাৰ বিধি** | **৪৮-৪৯** |
| **অনুচ্ছেদ ২২ ঃ** | **দলীয় নিয়মাৱলী প্ৰণয়ন** | **৪৯** |
| **অনুচ্ছেদ ২৩ ঃ** | **দলীয় নিৰ্বাচন পৰিচালনা পদ্ধতি** | **৪৯-৫০** |
| **অনুচ্ছেদ ২৪ ঃ** | **সংবিধান সংশোধন** | **৫০-৫১** |
| **অনুচ্ছেদ ২৫ ঃ** | **একত্ৰীকৰণ, বিভাজন আৰু ভংগকৰণৰ নিয়ম** | **৫১-৫২** |
| **অনুচ্ছেদ ২৬ ঃ** | **ভাৰতৰ নিৰ্বাচন আয়োগে অনুষ্ঠিত কৰা নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা** | **৫২** |

# ভাৰতৰ সংবিধানৰ

## প্ৰস্তাৱনা

আমি ভাৰতৰ জনগণে ভাৰতক এখন
সাৰ্বভৌম সমাজবাদী ধৰ্মনিৰপেক্ষ
গণতান্ত্ৰিক গণৰাজ্য ৰূপে গঠন
কৰিবলৈ, তথা ইয়াৰ সকলো নাগৰিকৰ
বাবে ঃ
সামাজিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক
ন্যায় ;
চিন্তা, অভিব্যক্তি, বিশ্বাস, ধৰ্ম আৰু
উপাসনাৰ স্বাধীনতা ;
প্ৰতিষ্ঠা আৰু সুযোগৰ সমতা
লাভ কৰিবলৈ ;
আৰু তেওঁলোকৰ সকলোৰে মাজত-
ব্যক্তিৰ মৰ্যাদা তথা জাতীয় ঐক্য আৰু
সংহতি সুনিশ্চিতকাৰী ভ্ৰাতৃত্ববোধ
বৃদ্ধি কৰিবলৈ
নিষ্ঠা সহকাৰে সংকল্প কৰি-
আমাৰ এই সংবিধান সভাত
আজি ১৯৪৯ চনৰ নৱেম্বৰ মাহৰ
ষষ্ঠবিংশ দিৱসত ইয়াৰ দ্বাৰা
এই সংবিধান গ্ৰহণ কৰিছোঁ,
অধিনিয়মিত কৰিছোঁ আৰু
নিজতে অৰ্পণ কৰিছোঁ।

# ৰাইজৰ দল
# সংবিধান

**প্ৰস্তাৱনা ঃ** ভাৰতৰ সংবিধানৰ সমাজবাদী, ধৰ্মনিৰপেক্ষ, গণতান্ত্ৰিক প্ৰজাতন্ত্ৰৰ আদৰ্শক সাৱোগত কৰি এক ঐক্যবদ্ধ, শক্তিশালী আৰু সমৃদ্ধিশালী অসমীয়া জাতি গঢ়ি তুলিবলৈ, অসমবাসীৰ জাতীয় আশা-আকাংক্ষা, সপোনক সাকাৰ কৰিবলৈ তথা এখন উন্নত অসম গঢ়িবলৈ সংকল্প গ্ৰহণ কৰি আমি আজি ৮ জানুৱাৰী, ২০২১ তাৰিখে দলৰ প্ৰথম ৰাজ্যিক অভিৱৰ্তনৰ প্ৰতিনিধি সভাই সৰ্বসন্মতিক্ৰমে এই সংবিধান গ্ৰহণ কৰিছো। অসমৰ বিভিন্ন জাতি-জনগোষ্ঠী-বৰ্ণ-ভাষা-ধৰ্মৰ প্ৰতিজন নাগৰিকৰ জীৱন আৰু সম্পত্তিৰ নিৰাপত্তাৰ নিশ্চয়তা প্ৰদান কৰি, প্ৰতিজন নাগৰিকৰ ব্যক্তিত্বৰ পূৰ্ণ বিকাশ আৰু অসমীয়া জাতিৰ সামূহিক জাতীয় সপোনক বাস্তৱ ৰূপ দিবলৈ এই দলৰ জন্ম দিয়া হৈছে। ৰাজ্যখনৰ সকলো নাগৰিকৰ বাবে সামাজিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক ন্যায় প্ৰদান কৰিবলৈ আমি বদ্ধপৰিকৰ। সকলো জাতি-জনগোষ্ঠী-ধৰ্ম-বৰ্ণ-ভাষা-ভাষীৰ সমমৰ্যাদা, সমঅধিকাৰ, সমবিকাশৰ প্ৰতিশ্ৰুতিৰে আমি এই দল গঠন কৰিলো আৰু এই সংবিধান গ্ৰহণ কৰিলো।

**অনুচ্ছেদ ১ ঃ**

১.১ **নাম ঃ ৰাইজৰ দল।**

১.২ **কৰ্মক্ষেত্ৰ ঃ** এই সংবিধান গ্ৰহণৰ দিনা অসমৰ ভৌগোলিক মানচিত্ৰই সামৰি লোৱা এলেকা বা সামগ্ৰিক অসম ৰাজ্য।

১.৩ **মুখ্য কাৰ্যালয় ঃ** ঘৰ নং- ১, মডাৰ্ণ হাইস্কুলৰ কাষত, মঠঘৰীয়া, জু-নাৰেংগী ৰোড, গুৱাহাটী- ২০, অসম।

**অনুচ্ছেদ ২ ঃ লক্ষ্য আৰু উদ্দেশ্য ঃ**

**২.১ উদ্দেশ্য ঃ**

২.১.১ 'ৰাইজৰ দল'এ আইনৰ দ্বাৰা প্ৰতিস্থাপিত ভাৰতৰ সংবিধানৰ প্ৰতি প্ৰকৃত বিশ্বাস আৰু আনুগত্য বহন কৰিব আৰু সংবিধানৰ সমাজবাদী, ধৰ্মনিৰপেক্ষ আৰু গণতান্ত্ৰিক আদৰ্শক মানি চলিব আৰু ভাৰতবৰ্ষৰ সাৰ্বভৌমত্ব, ঐক্য আৰু অখণ্ডতাক ঊৰ্ধ্বত তুলি ধৰিব।

২.১.২ ভাৰতৰ সংবিধানৰ যুক্তৰাষ্ট্ৰীয় আৰ্হিক অধিক কাৰ্যক্ষম ধৰণে প্ৰয়োগ কৰা আৰু দেশখনক অধিক ফেডাৰেল ভিত্তিত গঠন কৰি ক্ষমতা বিকেন্দ্ৰীকৰণৰ দিশে অধিক আগবঢ়াই নিয়াৰ বাবে সংগ্ৰাম গঢ়ি তোলা।

২.১.৩ ৰাজ্যসমূহৰ সাংবিধানিক ক্ষমতাক বিলুপ্ত কৰিবলৈ আৰু হ্ৰাস কৰিবলৈ কৰা সকলো প্ৰচেষ্টাক প্ৰতিৰোধ কৰা আৰু তাৰ বাবে অন্যান্য ৰাজ্যসমূহৰ লগত ঐক্যবদ্ধভাৱে কাম কৰা।

২.১.৪ বিভিন্ন ৰাষ্ট্ৰীয় ৰাজনৈতিক দলৰ কাৰ্যৰ দ্বাৰা দ্ৰুতগতিত আগ্ৰাসী ৰূপ লোৱা অতিকেন্দ্ৰিক ৰাষ্ট্ৰ ব্যৱস্থা তথা সাম্প্ৰদায়িক ফেচিবাদৰ হাতত বিপন্ন হোৱা অসমবাসীৰ পৰিচয় আৰু স্বাৰ্থক সুৰক্ষা দিয়া।

২.১.৫ অসমবাসীৰ আত্মনিয়ন্ত্ৰণৰ আশা-আকাংক্ষাক আগবঢ়াই নিয়া। অসমৰ বাবে সাংবিধানিক বিশেষ ৰাজ্যৰ মৰ্যাদা লাভৰ বাবে সংগ্ৰাম কৰা। ভাৰতৰ সংবিধানৰ ৩৭১ক অনুচ্ছেদ অনুসৰি অসমৰ বাবে বিশেষ ৰাজ্যৰ মৰ্যাদা কাঢ়ি আনিবলৈ অংগীকাৰবদ্ধ হোৱা।

২.১.৬ অসম চুক্তি অনুসৰি বিদেশীমুক্ত অসম গঢ়ি তোলা।

২.১.৭ অসমবাসীৰ ৰাজনৈতিক, অৰ্থনৈতিক, সামাজিক, সাংস্কৃতিক, ভাষিক, ঐতিহ্যৰ সুৰক্ষাৰ বাবে সাংবিধানিক, বিধায়িনী আৰু প্ৰশাসনিক সুৰক্ষা কৱচ নিশ্চিত কৰা।

২.১.৮ সামগ্রিক জাতীয় স্বাৰ্থ অক্ষুণ্ণ ৰাখি অসমৰ বিভিন্ন জনজাতি আৰু জনগোষ্ঠীসমূহৰ স্বাধিকাৰৰ আকাংক্ষাক যথাযোগ্যভাৱে আগবঢ়াই নিবলৈ ক্ষমতাৰ সৰ্বোচ্চ বিকেন্দ্ৰীকৰণ কৰা।

২.১.৯ অসমৰ সমাজ জীৱনৰ জাতীয়, জনগোষ্ঠীয়, ভাষিক, ধৰ্মীয় আৰু সাংস্কৃতিক বৈচিত্ৰ্যক উপযুক্ত মৰ্যাদা দি সকলোৰে মাজত যথোপযুক্ত ভাতৃত্ববোধেৰে ৰাজ্যখনৰ সকলো জাতি-জনগোষ্ঠী-বৰ্ণ-ভাষা-ধৰ্মৰ মানুহৰ সমমৰ্যাদা, সমঅধিকাৰ, সমউন্নয়ন তথা সমবিকাশৰ বাবে কাম কৰা।

২.১.১০ অসমৰ সম্পদসমূহ সুব্যৱহাৰ কৰি, জৈৱ-বৈচিত্ৰ্য তথা পৰিবেশতন্ত্ৰক সুৰক্ষিত কৰি, আমাৰ মাটি, পানী আৰু অন্যান্য অৰ্থনৈতিক-সামাজিক-সাংস্কৃতিক সম্পদক লৈ উন্নয়নৰ এক বিকল্প আৰ্হিৰে অসমক বিশ্বৰ ভিতৰতে এক সমৃদ্ধিশালী অঞ্চলত পৰিণত কৰাৰ সপোন বাস্তৱায়িত কৰা আৰু অসমৰ প্ৰতিজন নাগৰিকৰ মৌলিক প্ৰয়োজনসমূহ পূৰণ কৰি, দৰিদ্ৰতা নিৰ্মূল কৰি আগুৱাই নিয়া।

২.১.১১ সামন্তীয় উৎপাদন ব্যৱস্থাৰ পৰিৱৰ্তন ঘটাই অসমৰ পথাৰসমূহ বছৰৰ সকলো সময়তে খেতি কৰা পথাৰলৈ পৰিণত কৰি, তাৰ বাবে আন্তঃগাঁথনি তৈয়াৰ কৰি, ব্যৱসায়িক আৰু পেচাদাৰী উৎপাদন কৰি, অসমৰ কৃষি ব্যৱস্থাৰ বৈপ্লৱিক পৰিৱৰ্তন কৰা। থলুৱা উৎপাদনৰ ওপৰত ভিত্তি কৰি, স্থানীয় পুঁজি আৰু চৰকাৰী পুঁজিৰ সঠিক ব্যৱহাৰ কৰি উন্নয়নৰ এক বিকল্প আৰ্হিৰে এক জাতীয় উদ্যোগমালা গঢ়ি তোলা। অসমত এক সবল জাতীয় অৰ্থনীতিৰ বুনিয়াদ গঢ়ি তোলা।

২.১.১২ কৃষি, শিক্ষা তথা স্বাস্থ্য খণ্ডত সৰ্বাধিক মনোযোগ দিয়া আৰু সৰ্বাধিক ধন ব্যয় কৰি এক সমৃদ্ধ, শিক্ষিত আৰু সুস্বাস্থ্যবান জাতি হিচাপে অসমবাসীক গঢ়ি তোলা।

২.১.১৩ গ্ৰাম স্বৰাজ প্ৰতিষ্ঠা কৰা।

২.১.১৪ থলুৱা অসমবাসীৰ নেতৃত্বত বিকশিত অসম, যিখন অসমত ইয়াৰ সকলো নাগৰিকৰ বাবে সামাজিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক ন্যায় প্ৰদান কৰা হ'ব।

২.১.১৫ অন্ধবিশ্বাসমুক্ত, কুসংস্কাৰমুক্ত, সাম্প্ৰদায়িকতামুক্ত, বিজ্ঞানমনষ্ক চিন্তাৰে এক সমৃদ্ধ, শিক্ষিত আৰু সুস্বাস্থ্যবান অসমীয়া জাতি গঢ়ি তোলা।

ৰাজনৈতিকভাৱে ফেডাৰেল, অৰ্থনৈতিকভাৱে আত্মনিৰ্ভৰ, সামাজিকভাৱে সকলোকে সামৰি লোৱা (inclusive) আৰু মানসিকভাৱে বিজ্ঞানসন্মত — এই পথেৰে দৃঢ়তাৰে আগুৱাই যোৱাটোৱে আমাৰ জাতীয় স্বপ্ন।

২.২ **লক্ষ্য ঃ** আমাৰ লক্ষ্য হ'ল, সাৰ্বভৌম, সমাজবাদী, ধৰ্মনিৰপেক্ষ, গণতান্ত্ৰিক, ফেডাৰেল ভাৰতৰ ভিতৰত ক্ষমতাৰ পূৰ্ণ পৰ্যায়ৰ বিকেন্দ্ৰীকৰণৰ জৰিয়তে থলুৱা জনজাতি-জনগোষ্ঠীসমূহলৈ প্ৰকৃত স্বশাসনৰ অধিকাৰ প্ৰদান কৰা, গাঁও পৰ্যন্ত ক্ষমতাৰ বিকেন্দ্ৰীকৰণেৰে অসমৰ প্ৰতিজন নাগৰিকৰ প্ৰতিভাৰ পূৰ্ণ বিকাশ হ'ব পৰা সমৃদ্ধিশালী অসম এখন গঢ়ি তোলা।

২.৩ **কৰ্মপন্থা ঃ**

'ৰাইজৰ দল' অসমৰ ৰাইজৰ স্বাৰ্থ ৰক্ষাকাৰী এটা প্ৰগতিশীল জাতীয়তাবাদী আঞ্চলিক ৰাজনৈতিক দল। আমাৰ দলে নিৰ্বাচনত অংশগ্ৰহণ কৰি চৰকাৰ গঠন কৰি অথবা গঠনমূলক বিৰোধীৰ ভূমিকাৰে অসমৰ দীৰ্ঘদিনীয়া সমস্যাসমূহ সমাধান কৰিবলৈ যত্নবান হ'ব। দলে নিশ্চিত কৰে যে দলৰ পঞ্জীয়নৰ পাঁচ বছৰৰ ভিতৰত দলে ভাৰতৰ নিৰ্বাচন আয়োগে পৰিচালনা কৰা নিৰ্বাচনত অংশগ্ৰহণ কৰিব। তদুপৰি অসমৰ পৰিচয় আৰু স্বাৰ্থ ৰক্ষাৰ বাবে প্ৰয়োজন সাপেক্ষে ঐক্যবদ্ধ, শান্তিপূৰ্ণ, গণতান্ত্ৰিক, জাতীয় ৰাজনৈতিক সংগ্ৰাম গঢ়ি তুলিব। এই জাতীয় ৰাজনৈতিক সংগ্ৰামখনত যাতে অসমৰ সকলো জাতি ধৰ্ম-বৰ্ণ-ভাষাৰ জনগণে অংশগ্ৰহণ কৰিব পাৰে তাৰ

বাবে সকলোকে ঐক্যবদ্ধ কৰাৰ উদ্যোগ লোৱা হ'ব। আমাৰ দলে অসম আৰু অসমবাসীৰ স্বাৰ্থৰ বিপৰীতে কেন্দ্ৰীয় চৰকাৰে জাপি দিয়া সকলোবোৰ অগণতান্ত্ৰিক সিদ্ধান্তৰ বিৰোধিতা কৰি তাৰ প্ৰত্যাহাৰৰ বাবে সংগ্ৰাম চলাই যাব। 'ৰাইজৰ দল'এ যিকোনো পৰিস্থিতিতে কোনো ধৰণৰ হিংসাত্মক কাৰ্যত উচতনি নিদিয়ে, পৃষ্ঠপোষকতা নকৰে বা অংশগ্ৰহণ নকৰে।

**অনুচ্ছেদ ৩ ঃ সদস্য ভৰ্তি আৰু সদস্যৰ দায়িত্ব-কৰ্তব্য ঃ**

**৩.১ সদস্যৰ যোগ্যতা ঃ**

(ক) ভোটাধিকাৰ লাভ কৰা অৰ্থাৎ অতি কমেও ১৮ বছৰ বয়সৰ অথবা তাতোকৈ বেছি বয়সৰ সকলো ভাৰতীয় নাগৰিক সদস্য হ'ব পাৰিব।

(খ) অসমৰ কোনো নাগৰিকে জীৱিকা সূত্ৰে অথবা অন্য কোনো কাৰণত ভাৰতৰ বাহিৰত অস্থায়ীভাৱে বসবাস কৰিলে তেওঁলোকেও সদস্য পদ ল'ব পাৰিব।

(গ) সদস্য হ'বৰ বাবে দলৰ সংবিধানৰ নীতি, আদৰ্শ, লক্ষ্য, উদ্দেশ্য আৰু কৰ্মসূচীক সমৰ্থন কৰিব লাগিব।

(ঘ) সদস্য হ'বৰ বাবে সদস্য ভৰ্তিৰ মাচুল দি প্ৰপত্ৰ পূৰণ কৰি সদস্য পদ গ্ৰহণ কৰিব লাগিব।

(ঙ) তেওঁ অন্য কোনো ৰাজনৈতিক দলৰ সদস্য হ'ব নোৱাৰিব আৰু নিজস্ব সংবিধান আৰু কৰ্মসূচী থকা কোনো দল তথা সাম্প্ৰদায়িক সংগঠনৰ লগত যুক্ত হ'ব নোৱাৰিব।

৩.২ **সদস্যৰ প্ৰকাৰ ঃ** সদস্য মূলতঃ ২ প্ৰকাৰৰ হ'ব —

৩.২.১ প্ৰাথমিক সদস্য

৩.২.২ সক্ৰিয় সদস্য

দলে সক্ৰিয় সদস্যক তিনিটা স্তৰত কৰ্মী হিচাপে বিবেচনা কৰিব—

(ক) অংশকালীন (PART TIME) কৰ্মী (চাকৰিয়াল আৰু বৃত্তিজীৱীসকল)

(খ) সক্ৰিয় কৰ্মী

(গ) সৰ্বক্ষণৰ কৰ্মী সক্ৰিয় সদস্য হ'বলৈ তেওঁ দলত সদস্য ভৰ্তিৰ সময় কমেও এবছৰ হ'ব লাগিব। যোগ্যতা, বিশ্বাস আৰু গুণাগুণৰ ওপৰত নিৰ্ভৰ কৰি এইসকল কৰ্মীক দলে বিভিন্ন ক্ষেত্ৰত দলীয় কামত নিয়োগ কৰিব।

**৩.৩ সদস্যৰ কাৰ্যকাল ঃ**

এজন সদস্যৰ কাৰ্যকাল ৫ বছৰ। পাঁচ বছৰ কাৰ্যকাল অন্ত পৰাৰ পাছত নতুন প্ৰপত্ৰ পুনৰ পূৰণ কৰিব লাগিব। পঞ্চম বছৰৰ ৩১ ডিচেম্বৰত কাৰ্যকাল শেষ বুলি ধৰা হ'ব। আনহাতে দলে সদস্য পদ নাকচ কৰিব পাৰিব যেতিয়া সদস্যজনে পদত্যাগ কৰিব অথবা তেওঁক বহিষ্কাৰ কৰা হ'ব। সদস্যজনৰ মৃত্যু হ'লে স্বতঃস্ফূৰ্তভাৱে সদস্যপদ অৱলুপ্ত হ'ব।

**৩.৪ সদস্য ভৰ্তিৰ মাচুল ঃ**

(ক) এজন সদস্যৰ সদস্য ভৰ্তি মাচুল ১০ টকা।

(খ) সদস্য ভৰ্তিৰ মাচুল এনেদৰে ভাগ হ'ব ঃ ৫০ শতাংশ ভৰ্তি কৰা সমিতিখনে, ৩০ শতাংশ জিলা সমিতিয়ে আৰু ২০ শতাংশ কেন্দ্ৰীয় সমিতিয়ে পাব।

**৩.৫ সদস্যৰ নবীকৰণ ঃ**

প্ৰতি পাঁচ বছৰৰ মূৰে মূৰে সদস্যজনে তেওঁৰ সদস্যপদ নবীকৰণ কৰিব লাগিব। সক্ৰিয় সদস্যসকলে প্ৰতি তিনি বছৰৰ মূৰত সক্ৰিয় সদস্যপদ নবীকৰণ কৰিব।

**৩.৬ সদস্যৰ দায়িত্ব আৰু কৰ্তব্য ঃ**

(ক) দলৰ সংবিধান আৰু কৰ্মসূচী মানি চলা।

(খ) দলৰ নীতি-আদৰ্শ প্ৰচাৰ কৰা।

(গ) নিৰ্বাচনসমূহত দলৰ প্ৰাৰ্থীক অথবা দলৰ মনোনীত প্ৰাৰ্থীক ভোট দিয়া আৰু তেওঁলোকৰ হৈ প্ৰচাৰ কৰা।

(ঘ) দলৰ বিৰুদ্ধে দলৰ মঞ্চৰ বাহিৰত কোনো বক্তব্য প্ৰদান নকৰা।

(ঙ) দলীয় কৰ্মসূচী বা দলৰ আন্দোলনৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰা।

**৩.৭ সদস্যৰ প্ৰশিক্ষণ ঃ**

৩.৭.১ প্ৰতিজন সক্ৰিয় সদস্যই দলে নিয়মীয়াকৈ আয়োজন কৰা প্ৰশিক্ষণ শিবিৰত যোগদান কৰিব লাগিব। এই শিবিৰত দলৰ আদৰ্শ, লক্ষ্য-উদ্দেশ্য, কৰ্মপন্থা সন্দৰ্ভত দলৰ জ্যেষ্ঠ সদস্যসকলে প্ৰশিক্ষণ দিব। ব্লক সমিতিৰ পৰা কেন্দ্ৰীয় সমিতিলৈকে সমিতিসমূহে এনে প্ৰশিক্ষণ কাৰ্যসূচী আয়োজন কৰিব।

৩.৭.২ প্ৰশিক্ষণ গ্ৰহণ নকৰাকৈ (বা প্ৰশিক্ষণৰ চাৰ্টিফিকেট নথকাকৈ) কোনো সদস্যই দলৰ সক্ৰিয় সদস্য হ'ব নোৱাৰিব।

৩.৭.৩ কেন্দ্ৰীয় সমিতিয়ে প্ৰশিক্ষণৰ পাঠ্যক্ৰম সংশ্লিষ্ট সকলো সমিতিলৈ প্ৰেৰণ কৰিব আৰু সেই পাঠ্যক্ৰমৰ ওপৰত প্ৰশিক্ষণ অনুষ্ঠিত হ'ব। কেন্দ্ৰীয় সমিতিৰ অনুমোদিত প্ৰশিক্ষণ কাৰ্যসূচী গ্ৰহণ নকৰাকৈ আৰু সক্ৰিয় সদস্য নোহোৱাকৈ কোনো সদস্যই তলৰ নিৰ্বাচনসমূহত অংশ গ্ৰহণ কৰিব নোৱাৰিব ঃ -

(ক) দলৰ কেন্দ্ৰীয় সমিতিৰ বিষয়ববীয়া নিৰ্বাচন।

(খ) দলৰ কাৰ্যনিৰ্বাহকৰ নিৰ্বাচন।

(গ) দলৰ জিলা সমিতি/সমষ্টি সমিতি আৰু ব্লক সমিতিৰ বিষয়ববীয়া আৰু কাৰ্যনিৰ্বাহকৰ নিৰ্বাচন।

(ঘ) দলৰ টিকটত কোনো সংসদীয় নিৰ্বাচন, বিধানসভা নিৰ্বাচন আৰু পঞ্চায়ত বা নগৰ পালিকাৰ নিৰ্বাচন।

**৩.৮ সক্ৰিয় সদস্যৰ দায়িত্ব-কৰ্তব্য ঃ**

(ক) সক্ৰিয় সদস্য হ'বলৈ ১০০ টকা জমা দি সক্ৰিয় সদস্যৰ প্ৰ-পত্ৰ জমা দিব লাগিব। দলে সদস্যপদ গ্ৰহণ কৰিব লাগিব।

(খ) তেওঁ দলৰ নীতি-আদৰ্শ-কৰ্মসূচী প্ৰচাৰ কৰিব।

(গ) তেওঁ দলৰ হৈ সকলো ক্ষেত্ৰতে সমালোচনাৰ উত্তৰ দিব।

(ঘ) তেওঁ দলৰ মুখপত্ৰ আৰু অন্যান্য প্ৰকাশন নিজে নিয়মীয়াকৈ ল'ব, পঢ়িব আৰু সেইবোৰ প্ৰচাৰ কৰিব।

(ঙ) সকলো নিৰ্বাচনত দলৰ হৈ প্ৰচাৰ কৰিব।

(চ) দলে দায়িত্ব দিলে নিৰ্বাচনত অংশগ্ৰহণ কৰিব।

(ছ) দলৰ আন্দোলনসূচীত, সভা-সমিতিত অংশগ্ৰহণ কৰিব আৰু ৰাইজক সংগঠিত কৰিব।

(জ) দলৰ বাবে পুঁজি সংগ্ৰহ কৰিব।

**৩.৯ সদস্যৰ পঞ্জীয়নবহী আৰু সক্ৰিয় সদস্যৰ পঞ্জীয়ন বহী সঠিক ৰূপত সংৰক্ষণ ঃ**

(ক) সকলো জিলা সমিতিয়ে নিম্নতৰ সমিতিসমূহৰ সদস্যসকলৰ তালিকা এখন পঞ্জীয়ন বহীত সংৰক্ষিত কৰিব। লগতে সেই সমিতিসমূহৰ বিষয়ববীয়াৰ তালিকাও সংৰক্ষণ কৰিব। আনহাতে ব্লক সমিতিয়ে ইয়াৰ নিম্নতৰ সমিতিসমূহৰ সদস্য তালিকা আৰু বিষয়ববীয়াৰ তালিকা সংৰক্ষণ কৰিব। নিজ নিজ সমিতিৰ সদস্যৰ তালিকা সংশ্লিষ্ট সমিতিয়ে সংৰক্ষণ কৰিব।

(খ) ব্লক সমিতি আৰু জিলা সমিতিয়ে সক্ৰিয় সদস্যৰ তালিকা আৰু বিষয়ববীয়াৰ তালিকা চাৰ্টিফাইড কৰি তলৰ সমিতিলৈ পঠিয়াব।

(গ) সেই পঞ্জীয়ন বহীত সদস্যসকলৰ পৰিচয় এনেদৰে সংৰক্ষিত কৰিব ঃ — নাম, পিতাৰ নাম/পতিৰ নাম, বয়স, ঠিকনা, জীৱিকা, সদস্যৰ ক্ৰমিক নম্বৰ, সদস্য ভৰ্তিৰ তাৰিখ আৰু প্ৰথম সদস্য ভৰ্তিৰ প্ৰপত্ৰৰ নম্বৰ।

৩.১০ দলৰ অনুমোদিত শাখাৰ পৰা আৰম্ভ কৰি কেন্দ্ৰীয় সমিতিলৈকে সকলোৱে সদস্য ভৰ্তি কৰিব পাৰিব।

৩.১১ ন্যূনতম এবছৰ দলৰ যিকোনো পৰ্যায়ৰ সমিতিত সংশ্লিষ্ট সমিতিসমূহ তথা ঊৰ্ধ্বতম সমিতিসমূহৰ তত্ত্বাৱধানত বিভিন্ন পৰীক্ষণ আৰু পৰ্যৱেক্ষণৰ মাজেৰে সক্ৰিয় সদস্যসকলৰ মাজৰ পৰা যোগ্যতা অনুযায়ী বিভিন্ন বিষয়বাব বা দায়িত্বত মকৰল কৰা হ'ব।

৩.১২ দলৰ হৈ নিৰ্বাচনত অংশগ্ৰহণৰ বাবে সক্ৰিয় কৰ্মী হ'ব লাগিব।

**৩.১৩ সৰ্বক্ষণৰ কৰ্মী ঃ**

(১) সৰ্বক্ষণৰ কৰ্মীসকল কেৱল জিলা আৰু কেন্দ্ৰীয় সমিতিয়ে পৰিচালনা কৰিব, (২) তেওঁলোকক ৰাজ্যখনৰ বিভিন্ন এলেকাত নিযুক্তি দিয়া হ'ব পাৰে, (৩) তেওঁলোকৰ খৰচ বহনৰ দায়িত্ব নিযুক্তি পোৱা এলেকাটোৰ সংশ্লিষ্ট সমিতিখন, জিলা সমিতি আৰু কেন্দ্ৰীয় সমিতিৰ, (৪) তেওঁলোকে দলৰ নিৰ্দেশত সকলো সময়তে কৰ্মৰত হৈ থাকিব।

**অনুচ্ছেদ ৪ ঃ সাংগঠনিক গাঁথনি ঃ**

দলৰ সাংগঠনিক গাঁথনি ১০ খলপীয়া হ'ব—

৪.১ **প্ৰাথমিক সমিতি** — প্ৰতিখন গাঁও, নগৰৰ প্ৰতিটো ৱাৰ্ড, প্ৰতিখন চাহ বাগিচাৰ লাইন বা বস্তি আৰু প্ৰতিটো চৰ-চাপৰিত এটা প্ৰাথমিক গোট গঠন হ'ব। কোনোবাই ইচ্ছা কৰিলে চুবুৰীয়ে প্ৰতিও প্ৰাথমিক গোট গঠন কৰিব পাৰিব। প্ৰাথমিক সমিতিয়ে হ'ল দলৰ তৃণমূলৰ প্ৰধান সমিতি।

৪.২ **শাখা সমিতি** — কেইবাখনো গাঁও বা ৱাৰ্ড বা কেইবাটাও লাইন বা বস্তি লগলাগি একোটা শাখা সমিতি গঠন কৰিব পাৰিব।

৪.৩ **আঞ্চলিক সমিতি**— একোটা গাঁও পঞ্চায়ত এলেকাত এখন আঞ্চলিক সমিতি হ'ব।

৪.৪ **নগৰ সমিতি** — একোখন নগৰ বা চহৰক কেন্দ্ৰ কৰি একোখন নগৰ সমিতি বা চহৰ সমিতি থাকিব।

৪.৫ **মণ্ডল সমিতি** — কেইবাটাও গাঁও পঞ্চায়ত এলেকা লগ লগাই মণ্ডল সমিতি গঠন হ'ব।

৪.৬ **ব্লক সমিতি** — প্ৰশাসনিক এটা উন্নয়ন খণ্ড এলেকা সামৰি ব্লক সমিতি গঠন হ'ব। ব্লক সমিতিয়ে হ'ব মধ্যৱৰ্তী পৰ্যায়ৰ প্ৰধান সমিতি।

৪.৭ **সমষ্টি সমিতি** — অসম বিধানসভাৰ একোটা সমষ্টিৰ প্ৰশাসনিক এলেকা সামৰি সমষ্টি সমিতি গঠন হ'ব।

৪.৮ **জিলা সমিতি** — প্ৰশাসনিক একোখন জিলা সামৰি এখন জিলা সমিতি গঠন হ'ব। জিলা সমিতিয়ে সংশ্লিষ্ট জিলাৰ নেতৃত্ব বহন কৰিব।

৪.৯ **খণ্ড সমিতি** ঃ মুঠ আঠটা খণ্ড থাকিব। তলৰ জিলাসমূহ লৈ একো একোটা খণ্ড গঠন হ'ব ঃ -

(ক) পূব খণ্ড ঃ শদিয়া, তিনিচুকীয়া, ডিব্ৰুগড়, শিৱসাগৰ, চৰাইদেউ, যোৰহাট, মাজুলী জিলা।

(খ) মধ্য খণ্ড ঃ গোলাঘাট, নগাঁও, হোজাই, মৰিগাঁও জিলা।

(গ) উত্তৰ খণ্ড ঃ ধেমাজি, লখিমপুৰ, বিশ্বনাথ, শোণিতপুৰ জিলা।

(ঘ) পাৰ্বত্য অঞ্চল খণ্ড ঃ উত্তৰ কাছাৰ আৰু কাৰ্বি আংলং জিলা।

(ঙ) বৰাক উপত্যকা খণ্ড ঃ কৰিমগঞ্জ, হাইলাকান্দি, কাছাৰ জিলা।

(চ) কেন্দ্ৰীয় খণ্ড ঃ কামৰূপ(মহানগৰ), কামৰূপ(গ্ৰাম্য), নলবাৰী, দৰং।

(ছ) বি টি এ ডি খণ্ড ঃ বি টি এ ডিৰ ৪ খন জিলা।

(জ) পশ্চিম খণ্ড ঃ বজালী, বৰপেটা, গোৱালপাৰা, ধুবুৰী, মানকাছাৰ জিলা।

৪.১০ **কেন্দ্ৰীয় সমিতি** — সমগ্ৰ ৰাজ্যখনৰ ভিত্তিত এখন কেন্দ্ৰীয় সমিতি হ'ব।

**অনুচ্ছেদ ৫ ঃ বিভিন্ন সমিতিসমূহৰ গঠনতন্ত্ৰ ঃ**

৫. (ক) প্ৰতিখন সমিতিৰ কাৰ্যকাল ৩ বছৰৰ হ'ব। অৱশ্যে বিশেষ পৰিস্থিতিৰ প্ৰয়োজনত সংশ্লিষ্ট সমিতিখনে সৰ্বোচ্চ ৬ মাহকৈ দুবাৰ কাৰ্যকাল বৃদ্ধিৰ অনুমোদন দিব পাৰিব।

৫. (খ) সভাত গুৰুত্বপূৰ্ণ সিদ্ধান্ত ল'বলৈ এক তৃতীয়াংশ সদস্য উপস্থিত থাকিব লাগিব।

৫. (গ) প্ৰাথমিক সমিতিৰ পৰা জিলা সমিতিলৈকে ৮টা পৰ্যায়ৰ সমিতি তলত দিয়া ধৰণেৰে গঠিত হ'ব (প্ৰাথমিক সমিতি, শাখা সমিতি, আঞ্চলিক আৰু নগৰ সমিতিৰ বাবে তলৰ কাৰ্যনিৰ্বাহক সমিতিৰ দৰে ধৰা-বন্ধা নহ'ব) ঃ

**৫.১ প্ৰাথমিক সমিতিৰ গঠন, বিষয়ববীয়া নিৰ্বাচন আৰু কাৰ্যাৱলী ঃ**

(ক) প্ৰাথমিক সমিতি দলৰ মূল সাংগঠনিক শাখা হ'ব।

(খ) প্ৰাথমিক সমিতিৰ অন্তৰ্গত এলেকাৰ দলৰ সদস্যসকল একেলগ হ'ব আৰু প্ৰাথমিক সমিতিখন গঠন কৰিব।

সমিতিখনত সভাপতি, উপসভাপতি, বিত্ত সম্পাদকক নির্বাচিত কৰিব। এই নির্বাচন উপস্থিত সদস্যসকলে হাত দাঙি অনুষ্ঠিত কৰিব। উপদেষ্টাও নির্বাচন কৰিব।

(গ) সভাপতিয়ে এজন সাধাৰণ সম্পাদকক মনোনীত কৰি ল'ব।

(ঘ) তদুপৰি এই সমিতিৰ পৰা আঞ্চলিক সমিতি আৰু ব্লক সমিতিৰ বাবে একোজনকৈ প্ৰতিনিধি নির্বাচন কৰিব।

(ঙ) নিজৰ গাঁওখনৰ প্ৰতিটো পৰিয়ালক বা প্ৰতিজন ব্যক্তিক দলৰ লগত যুক্ত কৰিব, দলত অন্তৰ্ভুক্ত কৰাৰ চেষ্টা কৰিব।

(চ) এই সমিতিৰ বিষয়ববীয়া আৰু সদস্যসকলে প্ৰতিটো নির্বাচনৰ বাবে সংশ্লিষ্ট এলেকাত দলৰ প্ৰচাৰ কাৰ্যৰ মূল নেতৃত্ব ল'ব।

(ছ) দলৰ বিভিন্ন কাৰ্যসূচী, সভা সমিতিৰ বাবে মানুহ সংগঠিত কৰিব।

(জ) দলৰ আদৰ্শ আৰু কৰ্মসূচী প্ৰচাৰ কৰিব।

(ঝ) প্ৰাথমিক সমিতিৰ সদস্যসকলৰ তালিকাৰ পঞ্জীয়ন (ৰেজিষ্ট্ৰাৰ) বহী ৰাখিব।

**৫.২ শাখা সমিতিৰ গঠন, বিষয়ববীয়া নির্বাচন আৰু কাৰ্যাৱলী ঃ**

প্ৰাথমিক সমিতিৰ দৰে একে হ'ব। কেৱল নিজৰ এলেকাটো সামৰি ল'ব।

**৫.৩ আঞ্চলিক, নগৰ সমিতি আৰু মণ্ডল সমিতিৰ গঠন আৰু কাৰ্যাৱলী ঃ**

(ক) এই সমিতি নির্বাচিত হ'ব।

(খ) আঞ্চলিক সমিতিৰ সভাপতি আৰু সম্পাদক ব্লক সমিতিৰ পদেন সদস্য হোৱাৰ উপৰিও ইয়াৰ পৰা দুজনকৈ সদস্য ব্লক সমিতিৰ বাবে প্ৰতিনিধি নির্বাচিত হ'ব।

(গ) দলৰ নিৰ্বাচনী প্ৰচাৰ, বিভিন্ন কাৰ্যসূচী, সভা-সমিতিৰ বাবে মানুহ সংগঠিত কৰিব।

৫.৪ **ব্লক সমিতিৰ গঠন আৰু কাৰ্যাৱলী ঃ**

(ক) ব্লক সমিতিয়ে সংশ্লিষ্ট এলেকাত থকা মণ্ডল, আঞ্চলিক, নগৰ সমিতি, শাখা সমিতি আৰু প্ৰাথমিক সমিতিক নেতৃত্ব দিব।

(খ) প্ৰতিখন নিম্নতৰ সমিতিয়ে ব্লক সমিতিৰ বাবে সদস্য নিৰ্বাচিত কৰি পঠিয়াব।

(গ) প্ৰতিখন নিম্নতৰ সমিতিৰ সভাপতি সম্পাদক ব্লক সমিতিৰ পদেন সদস্য হ'ব।

(ঘ) সংশ্লিষ্ট ব্লকটোত দলৰ সকলো কাম-কাজৰ নেতৃত্ব ল'ব।

(ঙ) মধ্যৱৰ্তী সমিতি হিচাপে ব্লক সমিতি মূল সমিতি হ'ব।

৫.৫ **সমষ্টি সমিতিৰ গঠন আৰু কাৰ্যাৱলী ঃ**

(ক) সমষ্টি সমিতিয়ে সংশ্লিষ্ট সমষ্টি সমিতিৰ অন্তৰ্ভুক্ত ব্লক সমিতি, আঞ্চলিক সমিতি, নগৰ, মণ্ডল, শাখা আৰু প্ৰাথমিক সমিতিৰ সভাপতি, সম্পাদকক নেতৃত্ব প্ৰদান কৰিব।

(খ) প্ৰতিখন নিম্নতৰ সমিতিয়ে সমষ্টি সমিতিৰ বাবে কাৰ্যনিৰ্বাহক সদস্য নিৰ্বাচিত কৰি পঠিয়াব।

(গ) সমগ্ৰ সমষ্টি সমিতিটোৰ সাংগঠনিক কাম-কাজ আগবঢ়াই নিব।

(ঘ) কেন্দ্ৰীয় অধিৱেশনত সভাপতি, সম্পাদকে প্ৰতিনিধিত্ব কৰিব। জিলা সমিতি, খণ্ড সমিতি আৰু কেন্দ্ৰীয় সমিতিৰ সাংগঠনিক গাঁথনি তলৰ দৰে হ'ব ঃ

৫.৬ **জিলা সমিতিৰ গঠন ঃ**

(ক) জিলা সাধাৰণ পৰিষদ

(খ) জিলা কাৰ্যনিৰ্বাহক পৰিষদ

(গ) জিলা কৰ্ণধাৰ সমিতি

৫.৭ **খণ্ড সমিতিৰ গঠন ঃ**

(ক) খণ্ড সমিতিৰ অন্তৰ্গত প্ৰতিখন জিলাৰ দুজনকৈ প্ৰতিনিধিৰে এখন সমন্বয় সমিতি গঠন হ'ব।

(খ) নিৰ্বাচিত প্ৰতিনিধিসকলৰ মাজৰে দুজনে সমন্বয় সমিতিৰ আহ্বায়কৰূপে কাৰ্যনিৰ্বাহ কৰিব।

৫.৮ **কেন্দ্ৰীয় সমিতিৰ গঠন ঃ**

(ক) কেন্দ্ৰীয় সাধাৰণ পৰিষদ

(খ) কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক পৰিষদ

(গ) কেন্দ্ৰীয় কৰ্ণধাৰ সমিতি

(ঘ) কেন্দ্ৰীয় নিৰ্বাচন সমিতি

৫.৯ **আঞ্চলিক আৰু নগৰ সমিতিৰ কাৰ্যনিৰ্বাহক সমিতিৰ বিষয়বাব ঃ**

উপদেষ্টা— ২-৫ জন (প্ৰাক্তন সভাপতি/সম্পাদকক অগ্ৰাধিকাৰ দিব)

সভাপতি— ১ জন

উপসভাপতি — ২ জন

সম্পাদক — ২ জন

সাংগঠনিক সম্পাদক — ৫-১০ জন

তথ্য আৰু প্ৰচাৰ সম্পাদক — ১ জন

বিত্ত সম্পাদক — ১ জন

কাৰ্যালয় সম্পাদক — ১ জন

কাৰ্যনিৰ্বাহক সদস্য — ৫-১১ জন

৫.১০ **মণ্ডল সমিতি, ব্লক সমিতি, সমষ্টি সমিতি আৰু জিলা সমিতিৰ কাৰ্যনিৰ্বাহক সমিতিৰ বিষয়বাব ঃ**

উপদেষ্টা— ৫ জন (প্ৰাক্তন সভাপতি/সম্পাদকক অগ্ৰাধিকাৰ দিব)

সভাপতি— ১ জন

কাৰ্যকৰী সভাপতি— ২ জন

উপসভাপতি— ৩ জন

সাধাৰণ সম্পাদক— ১ জন (জিলা সমিতিত ৩ জন)

সম্পাদক — ৫ জন (জিলা সমিতিত ৭ জন)

সহঃ সম্পাদক— ৩ জন

সাংগঠনিক সম্পাদক— ৫ জন

তথ্য আৰু প্ৰচাৰ সম্পাদক— ১ জন

অতিৰিক্ত তথ্য আৰু প্ৰচাৰ সম্পাদক— ৩ জন

বিত্ত সম্পাদক— ১ জন

কাৰ্যালয় সম্পাদক — ১ জন

কাৰ্যনিৰ্বাহক সদস্য— ১১ জন

সভাপতিৰ মনোনীত সদস্য — ৪ জন

মুঠ — ৪১ জন (জিলা সমিতিত ৪৫ জন)

**সমষ্টি আৰু জিলা সমিতিৰ মুঠ কাৰ্যনিৰ্বাহক সদস্যৰ অতি কমেও ৪ জন অনুসূচীত জাতি বা জনজাতিৰ আৰু অন্ততঃ চাৰিগৰাকী কাৰ্যনিৰ্বাহক মহিলা হ'ব লাগিব। মণ্ডল, ব্লক, সমষ্টি আৰু জিলা সমিতিৰ কাৰ্যনিৰ্বাহকত সংশ্লিষ্ট এলেকাৰ দলৰ নিৰ্বাচিত পঞ্চায়ত প্ৰতিনিধি, জিলা পৰিষদৰ সদস্য, বিধায়ক বা সাংসদ পদেন সদস্য হ'ব। জিলা সমিতিৰ কাৰ্যনিৰ্বাহকৰ ৪৫ জন সদস্যৰ উপৰিও নিম্নতৰ সমিতিসমূহে জিলা সমিতিলৈ প্ৰেৰণ কৰা প্ৰতিনিধিৰে জিলা সমিতিৰ সাধাৰণ পৰিষদ গঠন হ'ব। আঞ্চলিক সমিতিৰ ২ জন, নগৰ সমিতিৰ ২ জন, মণ্ডল সমিতিৰ ৩ জন, ব্লক সমিতিৰ ৫ জন, সমষ্টি সমিতিৰ ১০ জনকৈ প্ৰতিনিধি জিলাৰ সাধাৰণ পৰিষদৰ বাবে নিৰ্বাচিত কৰাৰ উপৰিও এই সমিতিসমূহৰ সভাপতি আৰু সম্পাদক/সাধাৰণ সম্পাদক জিলা সাধাৰণ পৰিষদৰ পদেন সদস্য হ'ব।**

**অনুচ্ছেদ ৬ ঃ**

**৬.১ সাংগঠনিক সমিতিসমূহৰ দায়িত্ব আৰু কৰ্তব্য ঃ**

(ক) (আঞ্চলিক সমিতিৰ পৰা জিলা সমিতিলৈকে) সকলো পৰ্যায়ৰ সমিতিৰ নিজ নিজ কাৰ্যনিৰ্বাহক সমিতি গঠন কৰা।

(খ ) প্ৰতি ৩ মাহৰ মূৰে মূৰে সাধাৰণ সভা অনুষ্ঠিত কৰা। তাৰ সম্পূৰ্ণ প্ৰতিবেদন জিলা সমিতি/ কেন্দ্ৰীয় সমিতিলৈ প্ৰেৰণ কৰিব।

(গ) কাৰ্যনিৰ্বাহকৰ হাতত সেই সমিতি সম্পৰ্কীয় সকলো সিদ্ধান্ত লোৱাৰ ক্ষমতা থাকিব। কমেও এক তৃতীয়াংশ সদস্যৰ উপস্থিতিত সভা অনুষ্ঠিত হ'ব। উক্ত সভাত উচ্চতৰ সমিতিৰ অনুমোদিত প্ৰতিনিধি বিষয়ববীয়া উপস্থিত থকাটো বাধ্যতামূলক। অন্যথা সভাখন সম্পূৰ্ণ বুলি ধৰা নহ'ব।

(ঘ) কেন্দ্ৰীয় অধিৱেশনত সভাপতি, সাধাৰণ সম্পাদক আৰু বিধি অনুসৰি অনুমতি প্ৰাপ্তসকলে প্ৰতিনিধিত্ব কৰাৰ উপৰিও বিধানসভা সমষ্টি আৰু লোকসভা সমষ্টিৰ পৰা প্ৰতিনিধি নিৰ্বাচন কৰা।

(ঙ) সংশ্লিষ্ট সমিতিসমূহে প্ৰতিটো স্থানীয় সমস্যাৰ সমাধানৰ বাবে জনগণৰ অতন্দ্ৰ প্ৰহৰীৰূপে কাম কৰিব। স্থানীয় সমস্যাসমূহ চিহ্নিত কৰি সেইবোৰ সমাধানৰ বাবে প্ৰতিখন সমিতিৰ নিজৰ নিজৰ কৰ্মসূচী থাকিব। সেই কৰ্মসূচীবোৰে দলটোৰ কেন্দ্ৰীয় সমিতিৰ আদৰ্শ আৰু কৰ্মসূচীক প্ৰতিনিধিত্ব কৰিব।

(চ) দলৰ কৰ্মসূচীৰ ভিত্তিত আৰু সংশ্লিষ্ট সমিতিৰ কাৰ্যনিৰ্বাহকত অনুমোদন হোৱা নিজৰ নিজৰ কৰ্মসূচীৰ ভিত্তিত সেই কৰ্মসূচীৰ ৰূপায়ণৰ বাবে আত্মনিয়োগ কৰিব

অথবা সেই কৰ্মসূচী ৰূপায়ণৰ বাবে চৰকাৰক আবেদন জনাব বা সংগ্ৰাম গঢ়ি তুলিব। জনগণবিৰোধী আৰু জাতিবিৰোধী কাম- কাজৰ বিৰুদ্ধে মাত মাতিব।

(ছ) তৃণমূল পৰ্যায়ৰ পৰা জিলা পৰ্যায়লৈ সকলো সমিতিৰ সাংগঠনিক সক্ৰিয়তাৰ বাবে দায়বদ্ধ হ'ব।

(জ) বিভিন্ন পৰ্যায়ৰ সমিতিসমূহে সামূহিক উদ্যোগেৰে সংশ্লিষ্ট এলেকাসমূহত সম্ভৱপৰ প্ৰতিটো পৰিয়ালত একোজনকৈ সদস্য ভৰ্তি কৰিব।

(ঝ) প্ৰতিখন গাঁৱৰ সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক, সাংস্কৃতিক সকলো দিশ সামৰি গাঁওখনৰ সম্পূৰ্ণ তথ্য বাধ্যতামূলকভাৱে সংৰক্ষণ কৰিব আৰু কেন্দ্ৰীয় সমিতি তথা উচ্চতৰ সমিতিসমূহৰ হাতত প্ৰদান কৰিব।

(ঞ) প্ৰতিখন গাঁও, বস্তি, নগৰ, পঞ্চায়ত এলেকা তথা আঞ্চলিকৰ সমস্যাবোৰ চিহ্নিত কৰি উন্নয়নৰ ৰূপৰেখা তৈয়াৰ কৰি কেন্দ্ৰীয় সমিতি তথা উচ্চতৰ সমিতিসমূহৰ হাতত প্ৰদান কৰিব।

**৬.২ সাংগঠনিক দায়িত্ব আৰু কৰ্তব্য ঃ**

(ক) আঞ্চলিক সমিতিৰ পৰা জিলা সমিতিলৈকে সকলো সমিতিয়ে নিজৰ নিজৰ কাৰ্যনিৰ্বাহক সমিতি সময়মতে গঠন কৰিব। প্ৰতিখন সমিতিৰ কাৰ্যকাল তিনিবছৰীয়া হ'ব। কাৰ্যকাল সমাপ্ত হ'লে অধিৱেশন অনুষ্ঠিত কৰি পুনৰ নতুন সমিতি গঠন কৰিব। অতিৰিক্ত দুটা ছমহীয়া কাৰ্যকালৰ কাৰণে সমিতিৰ কাৰ্যনিৰ্বাহকৰ ম্যাদ বৃদ্ধি কৰিব খুজিলে জিলা সমিতিৰ সাধাৰণ পৰিষদ বহুৱাই আৰু আন আন সমিতিসমূহে বৰ্ধিত কাৰ্যনিৰ্বাহক বহুৱাই অনুমোদন ল'ব লাগিব।

(খ) প্ৰতিখন নিম্নতৰ সমিতিয়ে তাৰ উচ্চতৰ সমিতিলৈ প্ৰতিনিধি নিৰ্বাচন কৰি প্ৰেৰণ কৰিব।

(গ) জিলা সমিতিয়ে সাধাৰণ পৰিষদ গঠন কৰিব।

(ঘ) নিম্নতৰ সমিতিসমূহৰ মাজত সমন্বয় ৰক্ষা আৰু দলৰ কাম-কাজ সঠিকভাৱে আগুৱাই নিব।

**অনুচ্ছেদ ৭ ঃ**

৭.১ **জিলা সমিতিৰ সাধাৰণ পৰিষদ গঠন ঃ** জিলা সমিতিৰ সাধাৰণ পৰিষদত ৪৩ জন নিৰ্বাচিত বিষয়ববীয়া তথা কাৰ্যনিৰ্বাহক সদস্যৰ উপৰিও নিম্নতৰ সমিতিসমূহৰ পৰা প্ৰতিনিধিত্ব থাকিব। প্ৰতিখন প্ৰাথমিক সমিতিৰ সভাপতি, শাখা সমিতিৰ সভাপতি, আঞ্চলিক সমিতিৰ সভাপতি-সাধাৰণ সম্পাদকৰ লগতে দুজন নিৰ্বাচিত প্ৰতিনিধি, নগৰ সমিতিৰ সভাপতি সাধাৰণ সম্পাদকৰ লগতে দুজন নিৰ্বাচিত প্ৰতিনিধি, মণ্ডল সমিতি, ব্লক সমিতি আৰু সমষ্টি সমিতিৰ আটাইবিলাক বিষয়ববীয়া জিলা সমিতিৰ সাধাৰণ পৰিষদৰ সদস্য হ'ব। তদুপৰি দলৰ পৰা নিৰ্বাচিত পঞ্চায়ত সদস্য, জিলা পৰিষদৰ সদস্য, সংশ্লিষ্ট এলেকাৰ বিধায়ক তথা সাংসদ আৰু জিলাৰ অন্তৰ্গত দলৰ ভাতৃ ভগ্নী সংগঠনৰ সভাপতি/সম্পাদকসকল পদেন সদস্য হ'ব।

৭.২ **সাধাৰণ পৰিষদৰ সভাৰ আহ্বান ঃ** জিলা সমিতিৰ সাধাৰণ পৰিষদৰ কাৰ্যকাল তিনি বছৰীয়া হ'লেও প্ৰতিবছৰে বাৰ্ষিক সাধাৰণ সভা আহ্বান কৰিব লাগিব। সমিতিৰ সাধাৰণ সম্পাদক আৰু সম্পাদকসকলে সভাপতিৰ অনুমোদন সাপেক্ষে সাধাৰণ পৰিষদ আহ্বান কৰিব। বিশেষ পৰিস্থিতিতহে কাৰ্যনিৰ্বাহকৰ অনুমোদন সাপেক্ষে সাধাৰণ সম্পাদকে নিজাববীয়াকৈ সাধাৰণ সভাৰ আহ্বান কৰিব পাৰিব। কোনো জৰুৰী পৰিস্থিতিৰ উদ্ভৱ হ'লে আৰু দলৰ

সামগ্ৰিক স্বাৰ্থত অসাধাৰণ পৰিস্থিতিত সাধাৰণ পৰিষদৰ এক তৃতীয়াংশ সদস্যই সভাপতিলৈ জাননী জাৰি কৰি ১০ দিনৰ ভিতৰত জৰুৰী বৈঠক আহ্বান কৰিব পাৰিব। এনেদৰে এক তৃতীয়াংশ সদস্যই জৰুৰী বৈঠক আহ্বানৰ অনুৰোধ জনালে সভাপতিয়ে সেই বৈঠক অনুষ্ঠিত কৰিবলৈ বাধ্য থাকিব। অথবা সভাপতিৰ অনুপস্থিতিতে ১০ দিনৰ সময় সীমাৰ পাছত বৈঠক অনুষ্ঠিত কৰিব পাৰিব। কেতিয়াবা কেতিয়াবা বিশেষ সাধাৰণ পৰিষদো আহ্বান কৰিব পাৰিব।

৭.৩ **সাধাৰণ পৰিষদৰ সভা আহ্বানৰ নিয়ম ঃ** সাধাৰণ পৰিষদ আহ্বানৰ বাবে সভাপতি আৰু সম্পাদকে/সাধাৰণ সম্পাদকে ১৫ দিনৰ সময় দি সভা আহ্বান কৰিব। সাধাৰণ সভা আহ্বান কৰিবলৈ ১০ দিনৰ সময় দিব লাগিব আৰু বিশেষ সাধাৰণ সভাৰ বাবে ৭ দিনৰ সময় দি জাননী জাৰি কৰিব লাগিব।

৭.৪ **সাধাৰণ পৰিষদৰ সভাৰ থূল ঃ** সাধাৰণ পৰিষদৰ সভাৰ থূল হ'ব মুঠ সদস্যৰ তিনিভাগৰ এক অংশ। তিনিভাগৰ এক অংশতকৈ কম সদস্য উপস্থিত থাকিলে নিৰ্ণায়ক সিদ্ধান্ত গ্ৰহণ কৰিব নোৱাৰিব। বিশেষ সাধাৰণ সভা আৰু সাধাৰণ পৰিষদৰ সভাৰ ভিতৰত যিকোনো ধৰণৰ সিদ্ধান্ত সৰ্বসন্মতিক্ৰমে গৃহীত নহ'লে ভোটৰ জৰিয়তে মীমাংসা কৰা হ'ব। সাধাৰণ অৱস্থাত সভাপতিৰ কোনো ভোট নাথাকিব। কোনো বিষয়ত ভোট সমান সমান হ'লে সভাপতিয়ে নিৰ্ণায়ক ভোটটো দিব পাৰিব।

অনুচ্ছেদ ৮ ঃ **দলৰ বিষয়ববীয়া, সক্ৰিয় সদস্য আৰু সৰ্বক্ষণৰ কৰ্মীৰ সাধাৰণ দায়িত্ব আৰু কৰ্তব্য ঃ**

(ক) দলৰ সকলো বিষয়ববীয়া, সদস্য, সৰ্বক্ষণৰ কৰ্মী আৰু সক্ৰিয় সদস্যৰ প্ৰাথমিক দায়িত্ব আৰু কৰ্তব্য হ'ল দলটোৰ সদস্য ভৰ্তি কৰা।

(খ) দলৰ সকলো বিষয়ববীয়া, সদস্য, সৰ্বক্ষণৰ কৰ্মী আৰু সক্ৰিয় সদস্যৰ প্ৰাথমিক দায়িত্ব আৰু কৰ্তব্য হ'ল দলটোৰ সদস্য ভৰ্তিৰ নবীকৰণ কৰা।

(গ) দলৰ আদৰ্শ, নীতি, লক্ষ্য আৰু উদ্দেশ্য জনগণৰ মাজত অনবৰতে প্ৰচাৰ কৰা। তাৰ বাবে সভাপতি, সাধাৰণ সম্পাদকৰ লগত আলোচনা সাপেক্ষে ৰাজহুৱা সভা অনুষ্ঠিত কৰা।

(ঘ) কেন্দ্ৰীয় সমিতিৰ আৰু অন্যান্য সমিতিৰ কৰ্মসূচীক জনতাৰ মাজলৈ লৈ যোৱা।

(ঙ) কেন্দ্ৰীয় সমিতি আৰু আন সমিতিসমূহে লোৱা কৰ্মসূচী তথা আন্দোলনসূচীক জনগণৰ মাজলৈ লৈ যোৱা আৰু সেই কৰ্মসূচীত জনতাক জড়িত কৰোৱা।

(চ) প্ৰতিটো নিৰ্বাচনত ৰাইজক দলৰ সপক্ষে ভোটদানৰ বাবে আৰু দলটোৰ সপক্ষে প্ৰচাৰ কৰাৰ বাবে সংগঠিত কৰা।

(ছ) দলৰ দ্বাৰা ঘোষিত প্ৰতিটো জাতীয় কৰ্মসূচীক সফল কৰিবলৈ অহোপুৰুষাৰ্থ কৰা।

(জ) দলৰ বিৰুদ্ধে হোৱা সকলো সমালোচনা আৰু অপপ্ৰচাৰৰ সঠিক উত্তৰ দিয়া।

**অনুচ্ছেদ ৯ ঃ বিভিন্ন বিষয়ববীয়াৰ দায়িত্ব আৰু কৰ্তব্য ঃ**

**৯.১** উপদেষ্টা ঃ প্ৰাথমিক সমিতিৰ পৰা জিলা সমিতিলৈ প্ৰতিখন সমিতিৰ উপদেষ্টাৰ দায়িত্ব হ'ল সংবিধান অনুসৰি আৰু দলৰ কেন্দ্ৰীয় সমিতিৰ কৰ্মসূচী অনুযায়ী দলটোৰ সংশ্লিষ্ট সমিতিখনে কাম-কাজ কৰিছে নে নাই তাক নিৰীক্ষণ কৰা আৰু প্ৰতিখন সভাতে উপস্থিত থাকি পৰামৰ্শ প্ৰদান কৰা। উপদেষ্টাজনৰ কাৰ্যনিৰ্বাহক সমিতিত ভোটাধিকাৰ নাথাকিব, কেৱল তেওঁ পৰামৰ্শহে দিব। অৱশ্যে সেই পৰামৰ্শ গ্ৰহণ কৰাটো বাধ্যতামূলক নহয়।

৯.২ **সভাপতি ঃ** সভাপতিজন প্ৰতিটো পৰ্যায়ৰ সমিতিৰ মূৰব্বী হিচাপে পৰিগণিত হ'ব। তেওঁ সকলো সভাৰ সভাপতিত্ব কৰিব আৰু সংবিধান অনুসৰি দলটোক পৰিচালনা কৰিব। তেওঁ দলটোৰ সংশ্লিষ্ট সমিতিখনৰ মুখ্য মুখপাত্ৰ হ'ব আৰু প্ৰতিটো সময়তে দলটোৰ সাংগঠনিক, আদৰ্শগত শ্ৰীবৃদ্ধিৰ বাবে কাম কৰিব।

৯.৩ **উপ-সভাপতি ঃ** সভাপতিৰ অনুপস্থিতিত সকলো কাৰ্যনিৰ্বাহকত আন কেইজন উপসভাপতিৰ লগত সমূহীয়া বা ব্যক্তিগতভাৱে সভাপতিত্ব কৰিব। কাৰ্যনিৰ্বাহক সভাই আৰোপ কৰা সকলো দায়িত্ব তেওঁ সুচাৰুৰূপে পালন কৰিব। সভাপতিৰ দৰেই সকলো সময়তে দলটোৰ সাংগঠনিক, আদৰ্শগত শ্ৰীবৃদ্ধিৰ বাবে কাম কৰিব।

৯.৪ **সাধাৰণ সম্পাদক ঃ** সাধাৰণ সম্পাদক দলটোৰ সংশ্লিষ্ট সমিতিখনৰ মুখ্য কাৰ্যবাহী বিষয়ববীয়া। কাৰ্যনিৰ্বাহকে নিৰ্বাচিত কৰি দিয়া এজন সাধাৰণ সম্পাদকে দলটোৰ সকলো দলিল, প্ৰস্তাৱ, সিদ্ধান্ত আদিৰ সংৰক্ষণ কৰিব। কিন্তু জিলা সমিতিৰ ক্ষেত্ৰত দলৰ প্ৰস্তাৱ বা সিদ্ধান্ত কাৰ্যকৰীকৰণৰ বাবে তিনিওজন সাধাৰণ সম্পাদক দায়বদ্ধ হ'ব। তেওঁলোকে সাধাৰণ অৱস্থাত সকলো কাৰ্যনিৰ্বাহক বা সাধাৰণ পৰিষদৰ সভা আমন্ত্ৰণ কৰিব। উচ্চতৰ সমিতিসমূহৰ লগত সঘন যোগাযোগ ৰক্ষা কৰিব আৰু দলৰ উচ্চতৰ সমিতিসমূহৰ নিৰ্দেশ আৰু কৰ্মসূচী ৰূপায়ণৰ দায়িত্ববাহী বিষয়ববীয়া হ'ব। উচ্চতৰ সমিতিসমূহৰ সকলো ধৰণৰ নিৰ্দেশ আৰু কৰ্মসূচী সন্দৰ্ভত সভাপতি, উপসভাপতি আৰু অন্যান্য বিষয়ববীয়াসকলৰ লগত সমন্বয় ৰক্ষা কৰিব। সাধাৰণ সম্পাদকে সভাপতিক সকলো সময়তে সহযোগিতা আগবঢ়াব। নিম্নতৰ সমিতিসমূহৰ লগতো সমন্বয় ৰক্ষা কৰিব। সমিতি সলনিৰ লগে লগে দলৰ দলিল, প্ৰস্তাৱ, সিদ্ধান্তসমূহ তথা অন্যান্য কাগজ-পত্ৰ নতুন সাধাৰণ সম্পাদকৰ হাতত চমজাই দিব। ব্লক আৰু জিলা সমিতিৰ অতি কমেও এজন সাধাৰণ সম্পাদক সৰ্বক্ষণৰ কৰ্মী হ'ব লাগিব।

৯.৫ **সম্পাদক ঃ** সাধাৰণ সম্পাদকৰ অনুপস্থিতিত আন কেইজন সম্পাদকৰ লগত সমূহীয়া বা ব্যক্তিগতভাৱে দায়িত্ব চম্ভালি ল'ব। কাৰ্যনিৰ্বাহক সভাই আৰোপ কৰা সকলো দায়িত্ব তেওঁ সুচাৰুৰূপে পালন কৰিব। সাধাৰণ সম্পাদকৰ দৰেই সকলো সময়তে দলটোৰ সাংগঠনিক, আদৰ্শগত শ্ৰীবৃদ্ধিৰ বাবে কাম কৰিব। সভাপতি আৰু কাৰ্যনিৰ্বাহক সভাই দিয়া নিৰ্দিষ্ট দায়িত্ব ৰূপায়ণ কৰিব।

৯.৬ **সহঃ সম্পাদক ঃ** সম্পাদকৰ অনুপস্থিতিত আনকেইজন সহঃ সম্পাদকৰ লগত সমূহীয়া বা ব্যক্তিগতভাৱে দায়িত্ব চম্ভালি ল'ব। সভাপতি আৰু কাৰ্যনিৰ্বাহক সভাই আৰোপ কৰা সকলো দায়িত্ব সুচাৰুৰূপে পালন কৰিব। সম্পাদকৰ দৰেই সকলো সময়তে দলটোৰ সাংগঠনিক, আদৰ্শগত শ্ৰীবৃদ্ধিৰ বাবে কাম কৰিব।

৯.৭ **সাংগঠনিক সম্পাদক ঃ** সাংগঠনিক সম্পাদকে দলটোৰ সংগঠনক শক্তিশালী কৰি ৰাখিবৰ বাবে অনবৰতে কাম কৰিব। দলটোৰ নীতি, আদৰ্শ, কৰ্মসূচীক ৰাইজৰ মাজলৈ লৈ যাব আৰু দলটোক ৰাইজৰ মাজত জনপ্ৰিয় কৰি তুলিব। দলটোৱে ঘোষণা কৰা যিকোনো কাৰ্যসূচী বা আন্দোলনসূচীৰ বাবে ৰাইজক সংগঠিত কৰিব। তদুপৰি দলটোৰ সদস্য ভৰ্তিৰ অভিযানত তেওঁলোকে অনবৰতে আত্মনিয়োগ কৰিব। তেওঁলোকে দলটোৰ সম্পৰ্কে ৰাইজৰ সঠিক ধাৰণা গঢ়ি উঠিবলৈ সকলো ধৰণৰ প্ৰচেষ্টা হাতত ল'ব আৰু দলটোৰ বিৰুদ্ধে বিৰোধী পক্ষই চলোৱা সকলো অপপ্ৰচাৰ ৰাইজৰ মাজৰ পৰা নাইকিয়া কৰিবলৈ সচেষ্ট হ'ব।

৯.৮ **তথ্য আৰু প্ৰচাৰ সম্পাদক ঃ** জনগণৰ মাজত দলটোৰ আদৰ্শ, নীতি আৰু কৰ্মসূচীক প্ৰচাৰ কৰিব আৰু দৈনন্দিন প্ৰেছ বাৰ্তাসমূহ প্ৰেৰণ কৰিব। নিতৌ নতুন নতুন কৌশলৰে ৰাইজৰ মাজত দলটোৰ আদৰ্শ, নীতি আৰু কৰ্মসূচীক প্ৰচাৰ কৰিব। দলটোৰ প্ৰয়োজনীয় সকলোবোৰ বিবৃতি সংৰক্ষণ কৰিব আৰু সেই অনুসৰি

ৰাইজৰ মাজত প্ৰচাৰো কৰিব। উচ্চতৰ পৰ্যায়ৰ সমিতিসমূহৰ পৰা দৈনন্দিন বিবৃতিসমূহ, প্ৰচাৰ পত্ৰসমূহ সংগ্ৰহ কৰি ৰাইজৰ মাজলৈ লৈ যাব। সামাজিক মাধ্যমতো দলটোৰ সম্পৰ্কে ব্যাপক প্ৰচাৰ চলাব। যিকোনো ধৰণৰ দল বিৰোধী প্ৰচাৰৰ বিপক্ষে সত্য কথাসমূহ ৰাইজৰ মাজত প্ৰচাৰ কৰিব।

৯.৯ **বিত্ত সম্পাদক ঃ** দলটোৰ সংশ্লিষ্ট সমিতিৰ বিত্তীয় লেনদেন আৰু হিচাপ ৰখা আৰু নিৰ্দিষ্ট ঠাইত হিচাপ ঠিকমতে জমা দিয়াৰ দায়িত্বত থাকিব। সভাপতি আৰু বিত্ত সম্পাদকৰ যুটীয়া স্বাক্ষৰৰ বেংক একাউণ্ট থাকিব। বিত্তীয় লেনদেনৰ বাবে দায়িত্বশীল হ'ব।

৯.১০ **কাৰ্যালয় সম্পাদক ঃ** কাৰ্যালয় সম্পাদক সংশ্লিষ্ট সমিতিৰ কাৰ্যালয়ৰ সকলো নথিপত্ৰ, প্ৰচাৰ পত্ৰ, দলিল আৰু অন্যান্য যাৱতীয় সা-সামগ্ৰীৰ দায়িত্বত থাকিব। কাৰ্যালয় পৰিচালনাৰ সম্পূৰ্ণ দায়িত্ব তেওঁৰ। তেওঁ সভাপতি আৰু সাধাৰণ সম্পাদকৰ লগত সু-সমন্বয়েৰে কাৰ্যালয় পৰিচালনা কৰিব। সাংগঠনিক গোপনীয়তা ৰক্ষাৰ বাবে দায়বদ্ধ হ'ব।

৯.১১ **হিচাপ পৰীক্ষক ঃ** সকলো পৰ্যায়ৰ সমিতিয়ে নিজৰ সাধাৰণ সভাৰ সদস্যৰ মাজৰ পৰা দুজনক হিচাপ পৰীক্ষকৰূপে নিযুক্তি দিব। হিচাপ পৰীক্ষকে কাৰ্যনিৰ্বাহক সমিতিখনৰ হিচাপ পত্ৰৰ পৰীক্ষা কৰিব আৰু প্ৰতিবছৰে বাৰ্ষিক সাধাৰণ সভা আৰু অধিৱেশনত নিজৰ প্ৰতিবেদন দাখিল কৰিব। হিচাপ দাখিলৰ পূৰ্বে যথোপযুক্ত ধৰণে পৰীক্ষা কৰিব। সেই হিচাপ সাধাৰণ সভা আৰু অধিৱেশনে অনুমোদন জনাব লাগিব।

৯.১২ **জিলা সমিতিৰ মুখপাত্ৰ আৰু অন্যান্য সমিতি গঠনৰ ক্ষমতা ঃ** জিলা সমিতিয়ে জিলাখনৰ বাবে মুখপাত্ৰ নিয়োগ কৰাৰ উপৰিও জিলাখনৰ উন্নয়নৰ বিভিন্ন দিশবোৰ চোৱাচিতা কৰিবলৈ বিভিন্ন ধৰণৰ সমিতি গঠন কৰিব পাৰিব।

**অনুচ্ছেদ ১০ ঃ কেন্দ্ৰীয় অধিৱেশন আৰু কেন্দ্ৰীয় সমিতি**

**১০.১ কেন্দ্ৰীয় সাধাৰণ অধিৱেশন ঃ**

কেন্দ্ৰীয় অধিৱেশনৰ প্ৰতিনিধি ঃ

(ক) আঞ্চলিক সমিতি, নগৰ সমিতি আৰু মণ্ডল সমিতিৰ সভাপতিসকল।

(খ) ব্লক সমিতিৰ সভাপতি, সাধাৰণ সম্পাদকসকল।

(গ) সমষ্টি সমিতিৰ সভাপতি, উপসভাপতি, সাধাৰণ সম্পাদক, সম্পাদকসকল।

(ঘ) জিলা সমিতিৰ সকলো বিষয়ববীয়া।

(ঙ) প্ৰত্যেক জিলা সমিতিৰ সাধাৰণ অধিৱেশনৰ দ্বাৰা নিৰ্বাচিত প্ৰতিটো বিধানসভা সমষ্টিৰ ৩ জনকৈ সদস্য।

(চ) দলৰ বিধায়ক, সাংসদসকল।

(ছ) দলৰ জিলা পৰিষদৰ সভাপতিসকল।

(জ) পূৰ্বৰ কেন্দ্ৰীয় সাধাৰণ পৰিষদৰ সদস্যসকল।

(ঝ) কেন্দ্ৰীয় কাৰ্যনিৰ্বাহকে আমন্ত্ৰিত কৰিবলৈ অনুমতি দিয়া অতিথি সদস্যসকল। প্ৰতি তিনি বছৰৰ মূৰে মূৰে দলৰ কেন্দ্ৰীয় সাধাৰণ অধিৱেশন অনুষ্ঠিত হ'ব।

**১০.২ কেন্দ্ৰীয় সমিতি ঃ**

কেন্দ্ৰীয় সমিতিত চাৰি ধৰণৰ সমিতি থাকিব। সেইবোৰ হ'ল — কেন্দ্ৰীয় সাধাৰণ পৰিষদ, কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সমিতি, কেন্দ্ৰীয় কৰ্ণধাৰ সমিতি আৰু নিৰ্বাচন সমিতি। কেন্দ্ৰীয় সমিতিৰ কাৰ্যকাল ৩ বছৰ। অৱশ্যে বিশেষ পৰিস্থিতিত ৬ মাহ ৬ মাহকৈ দুবাৰ অনুমোদন সাপেক্ষে কাৰ্যকাল বৃদ্ধি হ'ব পাৰে।

১০.২.১ **কেন্দ্ৰীয় সাধাৰণ পৰিষদ ঃ** কেন্দ্ৰীয় সাধাৰণ পৰিষদ তলত উল্লেখ কৰা সদস্যসকলৰে গঠিত হ'ব —

ক) প্ৰত্যেক জিলা সমিতিৰ সাধাৰণ অধিৱেশনৰ দ্বাৰা ৰাজ্যিক কাৰ্যনিৰ্বাহকৰ বাবে নিৰ্বাচিত প্ৰতিটো বিধান সভা সমষ্টিৰ এজনকৈ সদস্য (মুঠ ১২৬ জন)।

খ) কেন্দ্ৰীয় সাধাৰণ অধিৱেশনত প্ৰতিনিধিসকলে পোনপটীয়াকৈ নিৰ্বাচিত কৰা ৩০ জন কাৰ্যনিৰ্বাহক সদস্য।

গ) জিলা সমিতিসমূহৰ সভাপতি আৰু সাধাৰণ সম্পাদকসকল।

ঘ) সমষ্টি সমিতিৰ সভাপতি আৰু সাধাৰণ সম্পাদকসকল। প্ৰতিখন সমষ্টি সমিতিৰ পৰা ৰাজ্যিক সাধাৰণ পৰিষদৰ বাবে নিৰ্বাচিত দুজনকৈ প্ৰতিনিধি।

ঙ) ব্লক সমিতিৰ সভাপতি আৰু সাধাৰণ সম্পাদকসকল।

চ) দলৰ সাংসদ, বিধায়কসকল।

ছ) প্ৰাক্তন কেন্দ্ৰীয় সভাপতিসকল।

জ) দলৰ অনুমোদিত ভাতৃ-ভগ্নী সংগঠনসমূহৰ সভাপতিসকল আৰু প্ৰতিটো এনে সংগঠনৰ তিনিজনকৈ নিৰ্বাচিত কেন্দ্ৰীয় প্ৰতিনিধি।

ঝ) কেন্দ্ৰীয় সভাপতিৰ দ্বাৰা মনোনীত ১০ জন সদস্য।

১০.২.২ **কেন্দ্ৰীয় সাধাৰণ পৰিষদৰ সভাৰ আহ্বান ঃ** দলৰ কেন্দ্ৰীয় সাধাৰণ পৰিষদৰ সভা বছৰত অন্ততঃ এবাৰ অনুষ্ঠিত হ'ব লাগিব। দলে বিচাৰিলে কেন্দ্ৰীয় সাধাৰণ পৰিষদৰ বিশেষ সভাও আহ্বান কৰিব পাৰিব। তৃতীয় বছৰত সাধাৰণ অধিৱেশন অনুষ্ঠিত কৰিব। অৱশ্যে বিশেষ পৰিস্থিতিত অধিৱেশন সৰ্বোচ্চ এবছৰ পিছুৱাব পাৰিব। কেন্দ্ৰীয় সমিতি ভংগ হোৱাৰ লগে লগে কেন্দ্ৰীয় সাধাৰণ পৰিষদো

ভংগ হ'ব আৰু নতুন কেন্দ্ৰীয় সমিতিয়ে কাৰ্যভাৰ গ্ৰহণ কৰাৰ পাছত নতুন কেন্দ্ৰীয় সাধাৰণ পৰিষদ গঠন কৰিব। সভাপতিৰ অনুমতি সাপেক্ষে সাধাৰণ সম্পাদকে কেন্দ্ৰীয় সাধাৰণ পৰিষদৰ সভা আহ্বান কৰিব।

১০.২.৩ **কেন্দ্ৰীয় সাধাৰণ পৰিষদৰ সভা আহ্বানৰ নিয়ম ঃ** অতি কমেও ১৫ দিনৰ সময় দি জাননী জাৰি কৰি কেন্দ্ৰীয় সাধাৰণ পৰিষদৰ সভা আহ্বান কৰিব। কেন্দ্ৰীয় সাধাৰণ পৰিষদৰ নিমন্ত্ৰণী পত্ৰ প্ৰতিজন সদস্যই পোৱাটো নিশ্চিত কৰিব আৰু তাৰ বাবে সাধাৰণ সম্পাদকে চিঠি প্ৰাপ্তিৰ নিশ্চিত ব্যৱস্থা গ্ৰহণ কৰিব। সাধাৰণ সম্পাদকে চিঠি প্ৰদানৰ তথ্য সংৰক্ষণ কৰিব। ই-মেইল/টেলিফোনযোগে পঠোৱা মেছেজো বৈধ নিমন্ত্ৰণী বুলি বিবেচিত হ'ব। অৱশ্যে ইয়াৰ প্ৰাপ্তি নিশ্চিত কৰিব লাগিব।

১০.২.৪ **কেন্দ্ৰীয় সাধাৰণ পৰিষদৰ থূল ঃ** মুঠ সদস্যৰ এক তৃতীয়াংশ সদস্য উপস্থিত থাকিব লাগিব। সকলো প্ৰস্তাৱ বা সিদ্ধান্ত সৰ্বসন্মত হ'লে ভাল। কোনো প্ৰস্তাৱ সন্দৰ্ভত ভিন্ন মত থাকিলে ভোটৰ ব্যৱস্থা কৰা হ'ব। সাধাৰণ অৱস্থাত সভাপতিৰ কোনো ভোট নাথাকিব। ভোট সমান সমান হ'লে সভাপতিয়ে নিৰ্ণায়ক ভোটটো দিব পাৰিব।

১০.২.৫ **কেন্দ্ৰীয় সাধাৰণ পৰিষদৰ দায়িত্ব আৰু ক্ষমতা ঃ** কেন্দ্ৰীয় সাধাৰণ পৰিষদৰ দায়িত্ব আৰু ক্ষমতাবোৰ হ'ল —

ক) কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সমিতি গঠন কৰা।

খ) কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সভাই গ্ৰহণ কৰা যিকোনো প্ৰস্তাৱ বা সিদ্ধান্ত আলোচনা কৰা আৰু অনুমোদন কৰা।

গ) কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সভাই চূড়ান্ত কৰা বাৰ্ষিক আয়-ব্যয়ৰ খতিয়ান গৃহীত কৰা।

ঘ) কেন্দ্ৰীয় সাধাৰণ পৰিষদৰ অধিৱেশনত উত্থাপন হোৱা সংবিধান সংশোধনৰ প্ৰস্তাৱ চালি-জাৰি চাই গৃহীত কৰা।

ঙ) কেন্দ্ৰীয় সাধাৰণ পৰিষদেই দলৰ সৰ্বোচ্চ নীতি নিৰ্ধাৰণ সমিতি।

চ) কেন্দ্ৰীয় সাধাৰণ পৰিষদৰ সভাত গৃহীত সকলো প্ৰস্তাৱ, সিদ্ধান্ত দলৰ সকলো সমিতি, শাখা, কোষ আৰু সকলো সদস্যই মানিবলৈ বাধ্য।

**১০.৩.১ কেন্দ্ৰীয় কাৰ্য্যনিৰ্বাহক সমিতি গঠন ঃ**

**কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সমিতিখন তলত দিয়া ধৰণেৰে গঠিত হ'ব —**

ক) দলৰ কেন্দ্ৰীয় সাধাৰণ পৰিষদে দলৰ সভাপতি, কাৰ্যকৰী সভাপতিকে ধৰি দলৰ কেন্দ্ৰীয় বিষয়ববীয়াসকলৰ অতি কমেও মুঠ তিনিভাগৰ দুই অংশক নিৰ্বাচিত কৰিব। জিলা সমিতিসমূহৰ পৰা নিৰ্বাচিত হৈ অহা ৰাজ্যিক কাৰ্যনিৰ্বাহক সদস্যসকল আৰু সাধাৰণ পৰিষদৰ অধিৱেশনত প্ৰতিনিধিসকলৰ দ্বাৰা পোনপটীয়াকৈ নিৰ্বাচিত ৩০ জন দলৰ সৰ্বক্ষণৰ কৰ্মীৰ মাজৰ পৰা এনে নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিব পাৰিব। সহমতৰ ভিত্তিত বিষয়ববীয়াসকল নিৰ্বাচিত নহ'লে দলৰ নিৰ্বাচন পৰিচালনা পদ্ধতি অনুসৰি এই নিৰ্বাচন অনুষ্ঠিত হ'ব আৰু বিষয়ববীয়াসকলক নিৰ্বাচিত কৰা হ'ব। প্ৰয়োজন হ'লে গোপন বেলট ভোটৰ ব্যৱস্থাত হ'ব।

খ) প্ৰত্যেক জিলাৰ নিৰ্বাচিত জিলা সভাপতিসকল কেন্দ্ৰীয় কাৰ্যনিৰ্বাহকৰ সদস্য হ'ব।

গ) প্ৰত্যেকখন জিলাৰ প্ৰতিটো বিধানসভা এলেকাৰ পৰা একোজনকৈ সদস্য নিৰ্বাচিত কৰিব। সেই সদস্যসকলক জিলাৰ সাধাৰণ অধিৱেশনে নিৰ্বাচিত কৰিব। সৰ্বমুঠ ১২৬ জন।

ঘ) কেন্দ্রীয় সাধাৰণ পৰিষদৰ অধিৱেশনত দলৰ ৩০ জন সৰ্বক্ষণৰ কৰ্মীক পোনপটীয়াকৈ উপস্থিত প্ৰতিনিধিসকলে কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সমিতিৰ সদস্যৰূপে নিৰ্বাচিত কৰিব।

ঙ) পূৰ্ববৰ্তী কাৰ্যকালৰ প্ৰাক্তন কেন্দ্ৰীয় সভাপতিজন পদেন সদস্য হ'ব (যদিহে তেওঁ সদস্য হৈ থাকে)।

চ) বিধায়িনী দলৰ দলপতি জন পদেন সদস্য হ'ব।

ছ) সংসদীয় গোটৰ দলপতিজন পদেন সদস্য হ'ব।

জ) সভাপতিৰ দ্বাৰা কিছুসংখ্যক বিষয়ববীয়া মনোনীত হ'ব। কিন্তু এই মনোনীত বিষয়ববীয়াৰ মুঠ সংখ্যা কেন্দ্ৰীয় সমিতিৰ সৰ্বমুঠ বিষয়ববীয়াৰ তিনিভাগৰ এক অংশতকৈ বেছি হ'ব নোৱাৰিব। সভাপতিয়ে কাৰ্যকৰী সভাপতিসকলৰ লগত আলোচনা কৰি এনেকৈ বিষয়ববীয়াসকলক মনোনীত কৰিব।

ঝ) ভাতৃ-ভগ্নী সংগঠনৰ কেন্দ্ৰীয় সভাপতিসকল আৰু সাধাৰণ সম্পাদকসকল পদেন সদস্য হ'ব। তদুপৰি প্ৰতিটো ভাতৃ-ভগ্নী সংগঠনে অতিৰিক্ত একোজন সদস্য কেন্দ্ৰীয় সমিতিৰ কাৰ্যনিৰ্বাহকৰ বাবে নিৰ্বাচিত কৰিব।

ঞ) সমিতিৰ অতি কমেও ১০ জন জনজাতি আৰু ১০ গৰাকী মহিলা সদস্য হ'ব লাগিব।

ট) দলৰ সভাপতিজনেই কাৰ্যনিৰ্বাহকৰ সভাপতি হ'ব। কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সমিতিৰ সদস্যৰ সংখ্যা ২৩০ জনৰ অধিক নহ'ব।

**১০.৩.২ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহকৰ দায়িত্ব আৰু ক্ষমতা ঃ**

ক) কেন্দ্ৰীয় সাধাৰণ পৰিষদৰ সভা, বিশেষ সভাৰ সকলো প্ৰস্তাৱ আৰু সিদ্ধান্ত কাৰ্যকৰীকৰণৰ দায়িত্ব কেন্দ্ৰীয় কাৰ্যনিৰ্বাহকৰ।

খ) কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সভাৰ প্ৰস্তাৱ আৰু সিদ্ধান্তসমূহ কাৰ্যকৰী কৰা।

গ) দলটোৰ বিভিন্ন পৰ্যায়ৰ শাখা, ভাতৃ-ভগ্নী সংগঠন, সমিতি, কোষ আদিৰ ক্ষমতাই সামৰি নোলোৱা দলৰ সকলো ক্ষমতাই কেন্দ্ৰীয় কাৰ্যনিৰ্বাহকৰ।

ঙ) দলৰ সকলো শাখা, সমিতি, মৰ্চা, কোষৰ পৰিচালনাৰ বিধি তৈয়াৰৰ ক্ষমতা কেন্দ্ৰীয় কাৰ্যনিৰ্বাহকৰ। দলৰ সংবিধানৰ ভিত্তিত প্ৰয়োজনীয় সকলো বিধি তৈয়াৰৰ ক্ষমতা।

চ) দলৰ পুঁজি সংগ্ৰহৰ সকলো দায়িত্ব কেন্দ্ৰীয় কাৰ্যনিৰ্বাহকৰ। পুঁজি সংগ্ৰহ বিধিও ইয়ে তৈয়াৰ কৰিব। সকলো পুঁজিৰ বিধিগতভাৱে হিচাপ পৰীক্ষণ হ'ব।

ছ) দলৰ নিৰ্বাচন পৰিচালনাৰ সকলো দায়িত্ব কেন্দ্ৰীয় কাৰ্যনিৰ্বাহকৰ।

জ) দলৰ সকলো সংঘাত, বিতৰ্ক নিৰাময়ৰ দায়িত্ব কেন্দ্ৰীয় কাৰ্যনিৰ্বাহকৰ।

ঝ) দলৰ সকলো শাখা, সমিতি, মৰ্চা, কোষ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহকৰ মতে চলিব।

ঞ) দলে সন্মুখীন হোৱা সকলোবোৰ ৰাজনৈতিক ঘটনা আৰু পৰিস্থিতি চম্ভালি লোৱাৰ দায়িত্ব কেন্দ্ৰীয় কাৰ্যনিৰ্বাহকৰ।

ট) কাৰ্যনিৰ্বাহক সভাৰ থূল হ'ল ১/৩ অংশ সদস্য।

১০.৩.৩ **কেন্দ্ৰীয় কাৰ্যনিৰ্বাহকৰ বিষয়ববীয়াৰ নিৰ্বাচন ঃ** কেন্দ্ৰীয় সাধাৰণ অধিৱেশনত উপস্থিত থকা প্ৰতিনিধিসকলে অধিৱেশনৰ সময়খিনিত কেন্দ্ৰীয় বিষয়ববীয়াসকলৰ একাংশক পোনপটীয়াকৈ নিৰ্বাচিত কৰিব। যদিহে সৰ্বসন্মতভাৱে নিৰ্বাচিত নহয় তেন্তে গোপন ভোটেৰে বিষয়ববীয়াসকল নিৰ্বাচিত হ'ব। এই নিৰ্বাচনৰ

বাবে কেন্দ্ৰীয় কাৰ্যনিৰ্বাহকে বিধি প্ৰস্তুত কৰি দিব। এনেকৈ পোনপটীয়াকৈ নিৰ্বাচিত কৰা বিষয়ববীয়াসকল হ'ল —

ক) কেন্দ্ৰীয় সভাপতি।

খ) কেন্দ্ৰীয় কাৰ্যকৰী সভাপতি(২ জন)।

গ) ৩০ জন কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য।

ঘ) মুঠ বিষয়ববীয়াৰ দুই তৃতীয়াংশ।

পৰৱৰ্তী সময়ত নৱ নিৰ্বাচিত কেন্দ্ৰীয় সভাপতিয়ে কাৰ্যকৰী সভাপতিৰ লগত আলোচনা সাপেক্ষে বাকী বিষয়ববীয়াসকলক মনোনীত কৰিব।

১০.৩.৪ **কেন্দ্ৰীয় কাৰ্যনিৰ্বাহকৰ বিষয়ববীয়াসকল ঃ**

মুখ্য উপদেষ্টা আৰু উপদেষ্টা — প্ৰয়োজন অনুসাৰে (কেৱল পৰামৰ্শ গ্ৰহণৰ বাবে, তেখেতসকল দলৰ কোনো কাৰ্যনিৰ্বাহকৰ সদস্য নহ'ব।)

সভাপতি— ১ জন

কাৰ্যকৰী সভাপতি— ৩ জন

উপ-সভাপতি— ২০ জন

সাধাৰণ সম্পাদক— ১০ জন

সম্পাদক — ২৫ জন

সহঃ সম্পাদক— ২০ জন

মুখপাত্ৰ — ১০ জন

সাংগঠনিক সম্পাদক— ১৬ জন (প্ৰতিটো খণ্ডৰ পৰা দুজনকৈ)

তথ্য আৰু প্ৰচাৰ সম্পাদক— ২ জন

অতিৰিক্ত তথ্য আৰু প্ৰচাৰ সম্পাদক— ৩ জন

বিত্ত সম্পাদক— ১ জন

কাৰ্যালয় সম্পাদক — ১ জন

হিচাপ পৰীক্ষক — ২ জন

১০.৩.৫ **কেন্দ্ৰীয় বিষয়ববীয়াৰ মনোনয়ন ঃ**

ওপৰত উল্লেখ কৰা এক তৃতীয়াংশ বিষয়ববীয়াক দলৰ সভাপতিয়ে নিৰ্বাচিত কাৰ্যকৰী সভাপতিৰ লগত আলোচনা কৰি যোগ্যতা আৰু অভিজ্ঞতাৰ ভিত্তিত আৰু ৰাজ্যখনৰ সকলো অঞ্চল আৰু জনগোষ্ঠীক উপযুক্তভাৱে কেন্দ্ৰীয় কাৰ্যনিৰ্বাহকত প্ৰতিনিধিত্ব দিয়াৰ স্বাৰ্থত মনোনীত কৰিব। সংগঠনৰ স্বাৰ্থত মনোনীত এই কৰ্মকৰ্তাসকলক যিকোনো সময়তে পৰিৱৰ্তন ঘটাব পাৰিব।

১০.৩.৬ **কাৰ্যনিৰ্বাহক সভাৰ আহ্বান ঃ** প্ৰতি তিনি মাহৰ মূৰে মূৰে একোখনকৈ কাৰ্যনিৰ্বাহক অনুষ্ঠিত কৰিব লাগিব। সভাপতিৰ সন্মতিৰ সাপেক্ষে সাধাৰণ সম্পাদকে সভা আহ্বান কৰিব।

১০.৩.৭ **কাৰ্যনিৰ্বাহক সভাৰ জাননী ঃ** নিৰ্দ্ধাৰিত দিনৰ পৰা ১০ দিন পূৰ্বে জাননী দি সভা আহ্বান কৰিব লাগিব।

১০.৩.৮ **কাৰ্যনিৰ্বাহক সভাৰ থূল ঃ** এক তৃতীয়াংশ সদস্য উপস্থিতি থাকিলে সভাৰ থূল হ'ব। ভোটৰ দ্বাৰা সকলো বিষয়ৰ মীমাংসা হ'ব। সমান সমান ভোট হ'লে সভাপতিয়ে এটা নিৰ্ণায়ক ভোট দিব পাৰিব।

১০.৩.৯ **তলবী সভা ঃ** কোনো বিশেষ পৰিস্থিতিত বা দলীয় স্বাৰ্থত বিষয়ববীয়াসকলে কাৰ্যনিৰ্বাহক সভাৰ দাবী কৰিব পাৰে বা আহ্বান কৰিব পাৰে। তাৰ বাবে বিষয়ববীয়াসকলৰ তিনিভাগৰ এক অংশই সভাপতি আৰু সাধাৰণ সম্পাদকলৈ জৰুৰী সভা আহ্বানৰ বাবে অনুৰোধ পত্ৰ প্ৰেৰণ কৰিব লাগিব। সেই অনুৰোধ পত্ৰ পোৱাৰ ১০ দিনৰ ভিতৰত সভাপতি আৰু সাধাৰণ সম্পাদকে জৰুৰী কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত কৰিব লাগিব। অন্যথা তিনিভাগৰ এক অংশ বিষয়ববীয়াই নিজাববীয়া আহ্বানত জৰুৰী কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সভা আহ্বান কৰিব পাৰিব।

১০.৩.১০ **বিষয়ববীয়াৰ সভা ঃ** সভাপতিয়ে প্ৰয়োজনবোধে সময়ে সময়ে কেন্দ্ৰীয় কাৰ্যনিৰ্বাহকৰ বিষয়ববীয়াৰ সভা আহ্বান কৰিব পাৰিব।

১০.৪ **কেন্দ্ৰীয় কাৰ্যালয় পৰিচালনা ঃ** গুৱাহাটীত দলৰ কেন্দ্ৰীয় কাৰ্যালয় হ'ব। দলৰ কেন্দ্ৰীয় সমিতিৰ সাধাৰণ সম্পাদকৰ তত্ত্বাৱধানত কেন্দ্ৰীয় কাৰ্যালয় চলিব। কাৰ্যালয় সম্পাদক থাকিব। লগতে এটি প্ৰফেচনেল টীম থাকিব কাৰ্যালয়ৰ দৈনন্দিন কাম-কাজ পৰিচালনাৰ বাবে।

**অনুচ্ছেদ ১১ ঃ বিষয়ববীয়াৰ কাৰ্যকাল আৰু সাংগঠনিক নিৰ্বাচন ঃ**

১১.১ এটা কাৰ্যকালৰ বিষয়ববীয়াসকলৰ কাৰ্যকাল তিনি বছৰ।

১১.২ প্ৰতিটো তিনি বছৰৰ কাৰ্যকাল শেষ হোৱাৰ পাছত দলৰ প্ৰতিটো পৰ্যায়ৰ সংগঠনৰ নিৰ্বাচন অনুষ্ঠিত হ'ব আৰু সেই নিৰ্বাচন সংবিধানৰ অনুচ্ছেদ ২৩ৰ 'দলীয় নিৰ্বাচন পৰিচালনা পদ্ধতি' অনুসৰি হ'ব।

**অনুচ্ছেদ ১২ ঃ**

**কেন্দ্ৰীয় সমিতিৰ বিষয়ববীয়াসকলৰ দায়িত্ব, কৰ্তব্য আৰু ক্ষমতা ঃ**

১২.১ **মুখ্য উপদেষ্টা আৰু উপদেষ্টা ঃ** কেন্দ্ৰীয় সমিতিৰ সন্মানীয় মুখ্য উপদেষ্টামণ্ডলীয়ে দলৰ দিক্‌নিৰ্ণায়কৰ ভূমিকা পালন কৰিব। মুখ্য উপদেষ্টামণ্ডলী আৰু উপদেষ্টামণ্ডলীৰ দায়িত্ব হ'ল সংবিধান অনুসৰি দলটোৰ কেন্দ্ৰীয় সমিতিয়ে কাম-কাজ কৰিছে নে নাই তাক নিৰীক্ষণ কৰা আৰু সময়ে সময়ে তেখেতসকলৰ লিখিত বা মৌখিক মতামত জনাই থকা। প্ৰয়োজন সাপেক্ষে দলৰ সভাত উপস্থিত থাকি পৰামৰ্শ দান কৰিব পাৰে। অৱশ্যে মুখ্য উপদেষ্টা আৰু উপদেষ্টাসকলৰ দলৰ মজিয়াত ভোটাধিকাৰ নাথাকিব আৰু তেখেতসকল দলৰ যিকোনো পৰ্যায়ৰ কাৰ্যনিৰ্বাহকৰ সদস্য নহ'ব। তেখেতসকলৰ

পৰামৰ্শ সমিতিয়ে গভীৰভাৱে বিবেচনা কৰিব। কিন্তু পৰামৰ্শ গ্ৰহণ কৰাটো বাধ্যতামূলক নহয়। দলে বা দলৰ কেন্দ্ৰীয় সমিতি বা দলৰ চৰকাৰে যদি কোনো ক্ষেত্ৰত অসমৰ জাতীয় স্বাৰ্থ বা ৰাইজৰ সমূহীয়া স্বাৰ্থৰ বিৰুদ্ধে অৱস্থান গ্ৰহণ কৰে বা কোনো সিদ্ধান্ত লয়, ৰাইজে তেনে জনবিৰোধী সিদ্ধান্তৰ বিৰুদ্ধে মাত মাতে অথবা কেন্দ্ৰীয় চৰকাৰে লোৱা কোনো অসম বিৰোধী সিদ্ধান্তৰ বিৰুদ্ধে যদি দল বা দলৰ চৰকাৰে মৌনতা অৱলম্বন কৰে অথবা কেন্দ্ৰীয় সমিতিয়ে জাতীয় স্বাৰ্থ উপদেষ্টামণ্ডলীয়ে তেনে ক্ষেত্ৰত লিখিতভাৱে দলৰ ওচৰত আপত্তি দৰ্শাব পাৰিব আৰু তেনে আপত্তি দলৰ আনুষ্ঠানিক বিবেচনাৰ বাবে গ্ৰাহ্য হ'ব।

১২.২ **সভাপতি ঃ** সভাপতি দলৰ সাংবিধানিক, সাংগঠনিক আৰু প্ৰশাসনীয় মূৰব্বী। কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক, কৰ্ণধাৰ বৈঠক, অধিৱেশন , বিশেষ অধিৱেশন, সাধাৰণ পৰিষদত সভাপতিত্ব কৰিব। তেওঁৰ জৰিয়তে সকলো নীতিগত সিদ্ধান্ত ৰাজহুৱা হ'ব। গতিকে তেওঁ দলৰ মুখ্য মুখপাত্ৰ। সভাপতিয়ে দলৰ স্বাৰ্থত বিষয়ববীয়া বা অন্য সক্ৰিয় সদস্যক নিৰ্দ্ধাৰিত দায়িত্ব ভগাই দিব আৰু সেই দায়িত্ব ল'বলৈ সেই ব্যক্তিজন বাধ্য থাকিব।

১২.৩ **কাৰ্যকৰী সভাপতি ঃ** সভাপতিয়ে দলৰ স্বাৰ্থত কাৰ্যকৰী সভাপতিসকলৰ মাজত দায়িত্ব ভগাই দিব আৰু সভাপতিয়ে দিয়া সেই দায়িত্ব কাৰ্যকৰী সভাপতিমণ্ডলীয়ে সুচাৰুৰূপে পালন কৰিব। সভাপতিৰ অনুপস্থিতিত সভাপতিৰ সকলো দায়িত্ব পালন কৰিব। সাময়িকভাৱে সভাপতিয়ে দায়িত্বৰ পৰা অব্যাহতি ল'লে, সেই সময়ছোৱাত দক্ষতা আৰু সক্ৰিয়তাৰ ভিত্তিত সভাপতিয়ে কোনো এজন কাৰ্যকৰী সভাপতিৰ ভাৰপ্ৰাপ্ত সভাপতি মনোনীত কৰিব পাৰিব। সভাপতি আৰু কেন্দ্ৰীয় সমিতিয়ে অৰ্পণ কৰা সকলো দায়িত্ব পালন কৰিব।

১২.৪ **উপ-সভাপতি ঃ** উপসভাপতিসকলক দলীয় সংগঠনৰ স্বাৰ্থত বিশেষ বিশেষ ক্ষেত্ৰত দায়িত্ব সভাপতিয়ে অৰ্পণ কৰিব পাৰিব। উপ সভাপতিসকলৰ এজনে কেন্দ্ৰীয় কাৰ্যালয়ত সভাপতিৰ নিৰ্দেশমৰ্মে বিশেষভাৱে কাৰ্যনিৰ্বাহ কৰিব আৰু প্ৰতিদিনে সংবাদ মাধ্যমৰ লগতে ইলেক্ট্ৰনিক মাধ্যমত প্ৰকাশিত বাতৰিসমূহ অধ্যয়ন কৰি দলে তাৎক্ষণিকভাৱে প্ৰকাশ কৰিবলগা দৃষ্টিভংগীৰ ক্ষেত্ৰত তেখেতে বিশেষভাৱে দায়িত্ব গ্ৰহণ কৰি সংশ্লিষ্ট দলীয় বিষয়ববীয়াসকলক আৱশ্যকীয় পৰামৰ্শ দি সেইসমূহ কাৰ্যকৰীকৰণৰ ওপৰত চকু ৰাখিব।

১২.৫ **সাধাৰণ সম্পাদক ঃ** মুখ্য কাৰ্যবাহী বিষয়ববীয়া হিচাপে, কেন্দ্ৰীয় কাৰ্যালয়ৰ মূৰব্বী হিচাপে কাৰ্যনিৰ্বাহ কৰিব আৰু কেন্দ্ৰীয় সকলো সভাৰ প্ৰস্তাৱ আৰু সিদ্ধান্ত কাৰ্যকৰী কৰিব। সাধাৰণ সম্পাদক দলৰ অন্যতম মুখপাত্ৰ হ'ব। সভাপতিয়ে সম্পাদকসকলৰ মাজত দায়িত্ব ভাগ কৰিব। এজন সাধাৰণ সম্পাদকক দলৰ মুখ্য কাৰ্যালয়ৰ প্ৰশাসনিক দায়িত্ব সভাপতিয়ে অৰ্পণ কৰিব। আইন সংক্ৰান্তীয় বিষয়ত দলৰ সাধাৰণ সম্পাদকে দলক প্ৰতিনিধিত্ব কৰিব। সাধাৰণ সম্পাদকসকলৰ কমেও দুজন সৰ্বক্ষণৰ কৰ্মী হ'ব।

১২.৬ **সম্পাদক ঃ** দলৰ কাৰ্যকৰী সভাপতি আৰু সাধাৰণ সম্পাদকৰ লগত আলোচনা কৰি প্ৰধানকৈ দলৰ সংগঠন শক্তিশালী কৰাৰ বাবে বিভিন্ন ক্ষেত্ৰত এইসকলৰ ওপৰত সভাপতিয়ে নিৰ্দিষ্ট দায়িত্ব অৰ্পণ কৰিব। দলৰ ভাতৃ-ভগ্নী সংগঠনসমূহৰ লগতে বিভিন্ন মণ্ডল, জিলা, সমষ্টি পৰ্যায়ৰ সংগঠন শক্তিশালী কৰাৰ বাবে সম্পাদকসকলৰ সেৱা ব্যৱহাৰ কৰাৰ দিশত সভাপতিয়ে বিশেষ দৃষ্টি ৰাখিব। সম্পাদকসকলে সভাপতি আৰু সাধাৰণ সম্পাদকসকলৰ লগত যোগাযোগ ৰক্ষা কৰি দায়িত্বপ্ৰাপ্ত দলীয় কৰ্তব্য সমাপন কৰিব।

১২.৭ **বিত্ত সম্পাদক ঃ** বিত্তীয় লেন-দেন কৰিব আৰু তাৰ হিচাপ ৰাখিব। হিচাপৰ বাবে বিত্ত সম্পাদক দায়ী হ'ব। বিত্ত সম্পাদকে দলৰ বেংক একাউণ্ট পৰিচালনা কৰিব। দলৰ কেন্দ্ৰীয় সমিতিৰ বেংক একাউণ্টটো ৩ জন বিষয়ববীয়াৰ স্বাক্ষৰত যুটীয়াভাৱে পৰিচালিত হ'ব- কাৰ্যকৰী সভাপতি(প্ৰশাসনিক), কোষাধ্যক্ষ আৰু বিত্ত সম্পাদক। বিত্ত সম্পাদকে বছৰেকীয়া হিচাপ পৰীক্ষা নিশ্চিত কৰিব আৰু সময়মতে পৰীক্ষিত হিচাপ দেশৰ নিৰ্বাচন আয়োগক দাখিল কৰিব।

১২.৮ **কোষাধ্যক্ষ ঃ** কোষাধ্যক্ষই দলৰ বেংক একাউণ্ট পৰিচালনা কৰিব। বিত্ত সম্পাদকৰ সৈতে কোষাধ্যক্ষই যুটীয়াভাৱে দলৰ বেংক একাউণ্ট পৰিচালনা কৰাৰ উপৰিও CAGৰ পেনেলত থকা হিচাপ পৰীক্ষকৰ দ্বাৰা দলৰ হিচাপ পৰীক্ষা কৰিব আৰু পৰীক্ষিত হিচাপ ভাৰতৰ নিৰ্বাচনী আয়োগৰ ওচৰত দাখিল কৰিব।

১২.৯ **তথ্য আৰু প্ৰচাৰ সম্পাদক ঃ** প্ৰয়োজনীয় তথ্য সংগ্ৰহ আৰু সংৰক্ষণ কৰাৰ উপৰিও দলৰ নীতি, আদৰ্শ আৰু কৰ্মসূচী আদি প্ৰয়োজন অনুসৰি প্ৰচাৰ কৰিব।

১২.১০ **মুখপাত্ৰ ঃ** মুখপাত্ৰসকলে দলৰ নীতি, আদৰ্শ আৰু কৰ্মসূচীৰ ভিত্তিত প্ৰয়োজনীয় প্ৰচাৰ কাৰ্য সাধন কৰিব। সময়ে সময়ে দলৰ কাৰ্যনিৰ্বাহক আৰু সাধাৰণ পৰিষদৰ প্ৰস্তাৱ আৰু সিদ্ধান্ত অনুসৰি তেওঁলোকে দলৰ আদৰ্শ প্ৰচাৰ কৰিব। সমসাময়িক বিষয়সমূহৰ ক্ষেত্ৰত সভাপতি, কাৰ্যকৰী সভাপতি আৰু সাধাৰণ সম্পাদকসকলৰ লগত আলোচনা সাপেক্ষে ৰাজহুৱা বক্তব্য প্ৰদান কৰিব। দলৰ তথ্য আৰু প্ৰচাৰ সম্পাদকৰ লগত সঘন যোগাযোগ ৰক্ষা কৰিব। মুখপাত্ৰসকল সভাপতিৰ পোনপটীয়া নিয়ন্ত্ৰণত থাকিব। বিৰোধী পক্ষৰ সমালোচনাৰ উত্তৰ দিব।

১২.১১ **কাৰ্যালয় সম্পাদক ঃ** কাৰ্যালয়ৰ কাম-কাজত সভাপতি, কাৰ্যকৰী সভাপতি আৰু সাধাৰণ সম্পাদকসকলক সহায় কৰিব। কাৰ্যালয়ৰ

কাম-কাজ নিৰীক্ষণ কৰাৰ দায়িত্বৰ লগতে কেন্দ্ৰীয় সভাৰ প্ৰস্তাৱ আৰু সিদ্ধান্ত কাৰ্যকৰীকৰণৰ দিশত বিশেষ দৃষ্টি ৰাখিব। কাৰ্যালয়ৰ সকলো ৰেকৰ্ড আৰু আৱশ্যকীয় নথি সঠিকভাৱে ৰাখিব লাগিব। সাংগঠনিক গোপনীয়তা ৰক্ষা কৰিব।

১২.১২ **হিচাপ পৰীক্ষক ঃ** কেন্দ্ৰীয় অধিৱেশনত সাধাৰণ সভাই কেন্দ্ৰীয় বাৰ্ষিক হিচাপ পৰীক্ষা কৰিবৰ বাবে হিচাপ পৰীক্ষক নিযুক্তি দিব। তেওঁলোকে বছৰেকীয়া হিচাপ পৰীক্ষা কৰিব। দলে নিশ্চয়তা প্ৰদান কৰে যে ই হিচাপ পৰীক্ষকৰ দ্বাৰা পৰীক্ষিত বিত্তীয় প্ৰতিবেদন প্ৰতিটো বিত্তীয় বছৰৰ শেষ হোৱাৰ পাছত ৬০ দিনৰ ভিতৰত নিৰ্বাচন আয়োগত দাখিল কৰিব।

**অনুচ্ছেদ ১৩ ঃ**

**কৰ্ণধাৰ সমিতি ঃ**

১৩.১ **গঠন ঃ** কৰ্ণধাৰ সমিতিৰ সৰ্বমুঠ সদস্য হ'ব ১১ জন। তেওঁলোক হ'ল-

ক) সভাপতি — ১ জন

খ) কাৰ্যকৰী সভাপতি — ৩ জন

গ) সাধাৰণ সম্পাদক — ৫ জন (প্ৰশাসনিক সাধাৰণ সম্পাদকসহ)

ঘ) আন ২ জনক কেন্দ্ৰীয় সমিতিৰ বিষয়ববীয়াৰ মাজৰ পৰা নিৰ্বাচিত কৰা হ'ব। নতুন কেন্দ্ৰীয় সমিতিৰ প্ৰথমখন কাৰ্যনিৰ্বাহক সভাত কাৰ্যনিৰ্বাহকে পোন পটীয়াকৈ তেওঁলোকক নিৰ্বাচিত কৰিব।

ঙ) বিধায়িনী দলৰ নেতাজন।

*দলৰ সভাপতি হ'ব কৰ্ণধাৰ সমিতিৰ সভাপতি।*

১৩.২ **কৰ্ণধাৰ সমিতিৰ দায়িত্ব আৰু ক্ষমতা ঃ**

ক) সকলো ধৰণৰ জৰুৰী আৰু বিশেষ সিদ্ধান্ত গ্ৰহণ।

খ) সকলো জৰুৰী পৰিস্থিতিৰ মোকাবিলা সম্পৰ্কীয় সিদ্ধান্তগ্ৰহণ।

গ) কৰ্ণধাৰ সমিতিয়ে হ'ব দলৰ সৰ্বোচ্চ কৰ্তৃত্বশীল সমিতি।

ঘ) কাৰ্যনিৰ্বাহক আৰু কেন্দ্ৰীয় সাধাৰণ পৰিষদৰ দ্বাৰা লোৱা নীতি আৰু কৰ্মসূচী আগবঢ়াই নিব।

ঙ) সংবিধানৰ ব্যাখ্যাৰ আৰু কাৰ্যকৰীকৰণৰ ইয়ে সৰ্বোচ্চ কৰ্তৃত্ব।

চ) কৰ্ণধাৰ সমিতিয়ে পৰৱৰ্তী কাৰ্যনিৰ্বাহকৰ কাৰ্যসূচী তৈয়াৰ কৰিব আৰু পৰৱৰ্ত্তী সভাৰ কাৰ্যবিৱৰণী কাৰ্যনিৰ্বাহকত উত্থাপন কৰিব।

১৩.৩ **কৰ্ণধাৰ সমিতিৰ সভা আহ্বান ঃ** কেন্দ্ৰীয় সভাপতিয়ে নিজে কৰ্ণধাৰ সমিতিৰ সভাৰ আহ্বান কৰিব পাৰে। প্ৰয়োজন হ'লে তেওঁ সভা আহ্বানৰ বাবে কৰ্ণধাৰ সমিতিৰ কোনোবা এজন সদস্যক আহ্বায়কৰ দায়িত্ব দিব পাৰে। কৰ্ণধাৰ সমিতিৰ অতি কমেও ৬ জন সদস্য উপস্থিত থাকিলেহে সেই সভাখন বৈধ হ'ব। কোনো বিষয়ত মতানৈক্য হ'লে ভোটৰ দ্বাৰা সিদ্ধান্ত ল'ব। ফলাফল সমান সমান হ'লে সভাপতিয়ে নিৰ্ণায়ক ভোট দিব পাৰিব।

**অনুচ্ছেদ ১৪ ঃ**

## সংসদীয় ব'ৰ্ড (Parliamentary Board) ঃ

কেন্দ্ৰীয় কাৰ্যনিৰ্বাহকে দলৰ দুখন সংসদীয় সমিতি গঠন কৰিব। এখন লোকসভা আৰু ৰাজ্যসভাত নিৰ্বাচিত দলৰ সাংসদসকলক লৈ আনখন দলৰ পৰা নিৰ্বাচিত বিধায়কসকলক লৈ। দুয়োখন সমিতিৰে অধ্যক্ষ হ'ব দলৰ

কেন্দ্ৰীয় সভাপতিজন। দলৰ নিৰ্বাচিত লোকসভাৰ সাংসদ বা ৰাজ্যসভাৰ সাংসদ এজন সংসদীয় ব'ৰ্ডৰ সাধাৰণ সম্পাদক হ'ব। আনহাতে দলৰ বিধানসভাত দলপতিজন অথবা নিৰ্বাচিত বিধায়কসকলৰ এজন বিধানসভাৰ সংসদীয় ব'ৰ্ডৰ সাধাৰণ সম্পাদক হ'ব। এই সংসদীয় সমিতি দুখনেই লোকসভা, ৰাজ্যসভা আৰু বিধানসভাত দলৰ স্থিতি নিৰূপন কৰিব। দলৰ সাংসদ আৰু বিধায়কসকলৰ গতিবিধি নিৰীক্ষণ কৰিব, নিয়ন্ত্ৰণ কৰিব আৰু ভূমিকা নিৰ্ণয় কৰি দিব। এই সমিতিখনেই দলৰ চৰকাৰ গঠন হ'লে মন্ত্ৰী পৰিষদ গঠনতো পৰামৰ্শ দিব। এই ব'ৰ্ডেই বিধায়ক বা সাংসদসকলৰ ওপৰত অনুশাসনমূলক ব্যৱস্থা গ্ৰহণ কৰিব।

**অনুচ্ছেদ ১৫ ঃ**

**নিৰ্বাচন সমিতি আৰু নিৰ্বাচন পৰিচালনা সমিতি**

**১৫.১ নিৰ্বাচন সমিতি ঃ**

কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সমিতিয়ে এখন কেন্দ্ৰীয় নিৰ্বাচন সমিতি গঠন কৰিব। সেই সমিতিত কৰ্ণধাৰ সমিতি, প্ৰতিটো ভাতৃ-ভগ্নী সংগঠনৰ সভাপতিসকল আৰু আন ৬ জন সদস্য থাকিব। এই ৬ জন সদস্যক মনোনীত কৰিব সভাপতিয়ে। দলৰ ৰাজ্যিক সভাপতি এই সমিতিৰ অধ্যক্ষ হ'ব।

**১৫.২ নিৰ্বাচন সমিতিৰ দায়িত্ব আৰু কৰ্তব্য ঃ**

(ক) বিধানসভা আৰু লোকসভাৰ নিৰ্বাচনৰ বাবে দলৰ প্ৰাৰ্থীৰ চূড়ান্ত তালিকা প্ৰস্তুত কৰিব।

(খ) নিৰ্বাচনী প্ৰচাৰৰ বাবে আৰু নিৰ্বাচনী ৰণকৌশল তৈয়াৰৰ বাবে বিভিন্ন পৰ্যায়ৰ নিৰ্বাচন পৰিচালনা সমিতিসমূহ গঠনৰ

বাবে উদ্যোগ ল'ব। আনহাতে বিভিন্ন স্থানীয় নিকায়-নিগমৰ নিৰ্বাচন, সমবায় সমিতিৰ নিৰ্বাচনৰ বাবে জিলা ভিত্তিত নিৰ্বাচন পৰিচালনা সমিতি গঠন হ'ব। তেনেদৰে স্বায়ত্ত শাসিত পৰিষদৰ নিৰ্বাচনৰ বাবেও সময়ে সময়ে নিৰ্বাচন পৰিচালনা সমিতি গঠন হ'ব।

১৫.৩ **বিভিন্ন পৰ্যায়ৰ নিৰ্বাচনী পৰিচালনা সমিতিসমূহৰ গাঁথনি ঃ**

দলে অংশগ্ৰহণ কৰিব খোজা বিধানসভাৰ নিৰ্বাচনকে ধৰি সকলো নিৰ্বাচনী কাম-কাজসমূহ আগুৱাই নিয়াৰ বাবে সময়ে সময়ে তলৰ সমিতিসমূহ নিৰ্বাচিত কৰা হ'ব। নিৰ্বাচনৰ কমেও ছয় মাহৰ পূৰ্বে এনে সমিতি গঠন কৰা হ'ব। এই সমিতিসমূহ নিৰ্বাচন পৰিচালনা সমিতিৰ অন্তৰ্গত হ'ব।

(ক) **ৱাৰ্ড নিৰ্বাচন পৰিচালনা সমিতি ঃ** প্ৰতিখন গাঁও পঞ্চায়ত এলেকাৰ, স্বায়ত্ত্ব শাসিত পৰিষদ এলেকাৰ বা প্ৰতিখন নগৰ সমিতি, পৌৰ সমিতি আৰু পৌৰ নিগমৰ প্ৰতিটো ৱাৰ্ডৰ বাবে ৱাৰ্ড সমিতি তৈয়াৰ কৰিব। ৱাৰ্ড সমিতিৰ সদস্যসকলক সংশ্লিষ্ট প্ৰাথমিক সমিতি, শাখা সমিতি আৰু আঞ্চলিক সমিতিৰ বিষয়ববীয়া আৰু কাৰ্যনিৰ্বাহকসকলে আলোচনামমে নিৰ্বাচিত কৰিব। ৱাৰ্ড সমিতিৰ সদস্য সংখ্যা ৫-১০ জন।

(খ) **বুথ নিৰ্বাচন পৰিচালনা সমিতি ঃ** বিধানসভা সমষ্টিৰ প্ৰতিটো ভোট কেন্দ্ৰ দলৰ নিৰ্বাচনী কাম-কাজ পৰিচালনাৰ বাবে বুথ সমিতি গঠন হ'ব। ১০-২৫ জনীয়া একোখন বুথ সমিতি গঠন হ'ব। সংশ্লিষ্ট আঞ্চলিক সমিতি, নগৰ সমিতি আৰু মণ্ডল সমিতিৰ পৰামৰ্শৰ ভিত্তিত এই বুথ সমিতিৰ সদস্যসকলক নিয়োগ কৰা হ'ব।

(গ) **ব্লক নিৰ্বাচন পৰিচালনা সমিতি ঃ** প্ৰতিটো উন্নয়ন খণ্ড এলেকাক সামৰি যিকোনো নিৰ্বাচন পৰিচালনাৰ বাবে ব্লক সমিতি গঠন হ'ব। সংশ্লিষ্ট ব্লক আৰু সমষ্টি সমিতিয়ে ইয়াৰ সদস্যসকলক নিৰ্বাচিত কৰিব।

(ঘ) **বিধানসভা সমষ্টি নিৰ্বাচন পৰিচালনা সমিতি ঃ** ৰাজ্যখনৰ প্ৰতিটো বিধান সভা সমষ্টিৰ নিৰ্বাচন পৰিচালনাৰ বাবে একোখন সমষ্টি সমিতি গঠন হ'ব। সমষ্টিটোৰ অন্তৰ্গত আঞ্চলিক সমিতি, নগৰ সমিতি, মণ্ডল সমিতি, ব্লক সমিতি আৰু সমষ্টি সমিতিৰ বিষয়ববীয়াসকলে এই সমষ্টি নিৰ্বাচন পৰিচালনা সমিতি গঠন কৰিব। এই সমষ্টি সমিতিখনত ২৫-৫০ জন সদস্য থাকিব। তেওঁলোকৰ মাজৰ পৰা এজন সভাপতি আৰু এজন সাধাৰণ সম্পাদক নিৰ্বাচিত কৰা হ'ব। তাৰোপৰি সংশ্লিষ্ট সমিতিখনৰ অন্তৰ্গত জিলা সমিতিৰ কাৰ্যনিৰ্বাহক সদস্যসকল আৰু কেন্দ্ৰীয় সমিতিৰ সেই অঞ্চলৰ কাৰ্যনিৰ্বাহক সদস্যসকল সমষ্টি নিৰ্বাচন পৰিচালনা সমিতিৰ পদেন সদস্য হ'ব। সমষ্টিটোৰ বিধান সভাৰ নিৰ্বাচন জয়ী হোৱাৰ সকলো কৌশল এই সমিতিয়ে নিৰূপণ কৰিব। তেওঁলোকে সংশ্লিষ্ট জিলা সমিতি, সমষ্টি সমিতি, ব্লক সমিতি আৰু মণ্ডল সমিতিৰ সভাপতি আৰু সম্পাদকসকলৰ লগত সমন্বয় ৰক্ষা কৰি নিৰ্বাচনী কৌশল ৰচনা কৰিব। বুথ সমিতিসমূহক নেতৃত্ব দিব।

(ঙ) **লোকসভা সমষ্টি নিৰ্বাচন পৰিচালনা সমিতি ঃ** প্ৰতিটো লোকসভা সমষ্টি এলেকাৰ জিলা সমিতিসমূহ, সমষ্টি সমিতিসমূহ, ব্লক সমিতিসমূহ আৰু মণ্ডল সমিতিসমূহে লগ লাগি ৫০-১০০ জনীয়া নিৰ্বাচন পৰিচালনা সমিতি গঠন কৰিব। এই সমিতিৰ এজন সভাপতি আৰু এজন

সাধাৰণ সম্পাদক থাকিব। সংশ্লিষ্ট জিলা সমিতিসমূহ, সমষ্টি সমিতিসমূহ, ব্লক সমিতিসমূহ আৰু মণ্ডল সমিতিসমূহৰ সভাপতি সম্পাদকসকল এই সমিতিৰ পদেন সদস্য হ'ব। এই সমিতিয়ে লোকসভা নিৰ্বাচনসমূহৰ সকলো কৌশল নিৰূপণ কৰিব।

(চ) **স্বায়ত্ত্ব শাসিত পৰিষদ সমষ্টি নিৰ্বাচন পৰিচালনা সমিতি** ঃ কাৰ্বি আংলং স্বায়ত্ত্ব শাসিত পৰিষদ, ডিমা হাচাও স্বায়ত্ত্ব শাসিত পৰিষদ, বিটিএডি আৰু আনসমূহ স্বায়ত্ত্ব শাসিত পৰিষদৰ নিৰ্বাচনৰ বাবে সমষ্টি ভিত্তিত স্বায়ত্ত্ব শাসিতপৰিষদ সমষ্টি সমিতি গঠন হ'ব। এই সমিতিয়ে সংশ্লিষ্ট এলেকাৰ নিৰ্বাচন পৰিচালনা কৰিব। এই নিৰ্বাচন পৰিচালনা সমিতিসমূহে পঞ্চায়ত নিৰ্বাচন, সমবায় সমিতিসমূহৰ নিৰ্বাচন, নগৰ সমিতিসমূহৰ নিৰ্বাচন, বিধান সভা সমষ্টিৰ নিৰ্বাচন আৰু লোকসভা নিৰ্বাচন পৰিচালনাকৰিব। স্বায়ত্ত শাসিত পৰিষদসমূহৰ নিৰ্বাচন পৰিচালনাৰ বাবে ওপৰত উল্লেখ কৰা স্বায়ত্ত্ব শাসিত পৰিষদ সমষ্টি সমিতিয়ে নিৰ্বাচন পৰিচালনা কৰিব। এই নিৰ্বাচন পৰিচালনা সমিতিসমূহে সংশ্লিষ্ট এলেকাৰ দলৰ সমিতিসমূহৰ লগত সমন্বয় ৰক্ষা কৰি আগবাঢ়ি যাব। আটাইবোৰ সমিতি কেন্দ্ৰীয় নিৰ্বাচন পৰিচালনা সমিতিৰ অধীন হ'ব। দলৰ সভাপতিজনে কেন্দ্ৰীয় নিৰ্বাচন পৰিচালনা সমিতিৰ সভাপতি হ'ব।

**অনুচ্ছেদ ১৬ ঃ দলৰ ভাতৃ-ভগ্নী সংগঠনসমূহ আৰু কোষসমূহ ঃ**

**১৬.১ ভাতৃ-ভগ্নী সংগঠন ঃ**

বিভিন্ন জাতি-জনগোষ্ঠী আৰু সমাজৰ বিভিন্ন অংশৰ জনগণক

দলৰ লগত সংযুক্ত কৰি দলৰ  আদৰ্শ সৰ্বস্তৰৰ জনগণৰ মাজলৈ লৈ যাবলৈ আৰু দলটোৰ সাংগঠনিক ভিত্তি শক্তিশালী আৰু মজবুত কৰিবলৈ বিভিন্ন ভাতৃ-ভগ্নী গণ সংগঠন আৰু কোষ গঠন কৰা হ'ব।

ক) এটা যুৱ সংগঠন গঠন।

খ) এটা নাৰী সংগঠন গঠন।

গ) এটা চাহ - শ্ৰমিক সংগঠন গঠন।

ঘ) এটা ট্ৰেড ইউনিয়ন গঠন।

**১৬.২ কোষ ঃ**

আনহাতে বিভিন্ন জাতি-জনগোষ্ঠী আৰু ভাষিক আৰু ধৰ্মীয় সংখ্যালঘুসকলৰ গোটসমূহৰ বাবে একো একোটা কোষ গঠন কৰা হ'ব। সেইবোৰ হ'ল —

ক) অনুসূচিত জাতি কোষ।

খ) অনুসূচিত জনজাতি কোষ।

গ) পাৰ্বত্য জনজাতি কোষ।

ঘ) ধৰ্মীয় সংখ্যালঘু কোষ।

ঙ) গৰিয়া-মৰিয়া-দেশী-জোলা কোষ।

চ) ভাষিক সংখ্যালঘু কোষ।

ছ) প্ৰাক্তন চাহ-শ্ৰমিক কোষ।

১৬.৩ তথ্য, গৱেষণা আৰু প্ৰচাৰ কোষ ঃ

দলৰ প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে প্ৰয়োজনীয় তথ্যসমূহৰ গৱেষণা আৰু ৰণকৌশল তৈয়াৰ কৰাৰ লগতে বিভিন্ন মাধ্যমৰ জৰিয়তে ইয়াৰ প্ৰচাৰ কৰিব।

**১৬.৪ দলৰ ভাতৃ-ভগ্নী সংগঠনসমূহ আৰু কোষসমূহ পৰিচালনাৰ নিয়মাৱলী ঃ**

১৬.৪.১ প্ৰতিটো ভাতৃ-ভগ্নী সংগঠন আৰু কোষ পৰিচালনাৰ বাবে এখন নিয়মাৱলী থাকিব। সেই নিয়মাৱলী সংশ্লিষ্ট ভাতৃ-ভগ্নী সংগঠন আৰু কোষসমূহ প্ৰতিষ্ঠা কৰাৰ পাছত প্ৰথমখন কাৰ্যনিৰ্বাহকত তৈয়াৰ কৰা হ'ব। সেই নিয়মাৱলীত দলৰ কেন্দ্ৰীয় সমিতিৰ অনুমোদন ল'ব লাগিব।

১৬.৪.২ প্ৰত্যেকটো ভাতৃ-ভগ্নী সংগঠন আৰু কোষৰ নিজা নিজা একোখন কৰ্মসূচী থাকিব। সংশ্লিষ্ট ভাতৃ-ভগ্নী সংগঠন আৰু কোষসমূহ প্ৰতিষ্ঠা কৰাৰ পাছত প্ৰথমখন কাৰ্যনিৰ্বাহকত এই কৰ্মসূচী তৈয়াৰ কৰা হ'ব। সেই কৰ্মসূচীত দলৰ কেন্দ্ৰীয় সমিতিৰ অনুমোদন ল'ব লাগিব।

১৬.৪.৩ ভাতৃ-ভগ্নী সংগঠন আৰু কোষসমূহ দলৰ কেন্দ্ৰীয় সভাপতি তথা কেন্দ্ৰীয় কৰ্ণধাৰ সমিতিৰ প্ৰত্যক্ষ তত্বাৱধানত চলিব। দলৰ সভাপতিয়ে কেন্দ্ৰীয় কাৰ্যনিৰ্বাহকৰ পৰা প্ৰতিটো ভাতৃ-ভগ্নী সংগঠন আৰু কোষৰ বাবে একো একোজন তত্বাৱধায়ক নিযুক্তি দিব পাৰিব। তত্বাৱধায়কজনে সংশ্লিষ্ট ভাতৃ ভগ্নী সংগঠন আৰু কোষসমূহৰ নেতৃত্বৰ লগত সহযোগিতাৰে আগবাঢ়ি যাব।

১৬.৪.৫ সংশ্লিষ্ট ভাতৃ-ভগ্নী সংগঠনৰ কোষসমূহে নিজাকৈ সদস্য ভৰ্তি কৰিব পাৰিব। এই সদস্যসকলক দলৰ সদস্য ভৰ্তিৰ প্ৰ-পত্ৰতেই সদস্য ভৰ্তি কৰিব লাগিব। সদস্য ভৰ্তিৰ মাচুলৰ ২০ শতাংশ দলৰ কেন্দ্ৰীয় সমিতিক জমা দিব লাগিব।

১৬.৪.৬ দলৰ কেন্দ্ৰীয় সভাপতি আৰু কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সমিতিয়ে ভাতৃ-ভগ্নী সংগঠন আৰু কোষসমূহলৈ দলীয় নীতি নিৰ্দেশনা প্ৰেৰণ কৰিব পাৰিব।

**অনুচ্ছেদ ১৭ ঃ দলৰ বিভিন্ন সমিতিসমূহ ঃ**

**১৭.১ সমিতিসমূহৰ নাম**

১৭.১.১ গৱেষণা সমিতি গঠন।

১৭.১.২ বিভিন্ন জীৱিকাৰ গৱেষণা আৰু উন্নয়নৰ বাবে সমিতি গঠন।

১৭.১.৩ বিভিন্ন সামাজিক, অৰ্থনৈতিক, ৰাজনৈতিক, সাংস্কৃতিক বিষয় আৰু সমস্যা সমাধানৰ বাবে সমিতি গঠন।

১৭.১.৪ পৰিকল্পনা সমিতি।

১৭.১.৫ ৰাজনৈতিক পৰিক্ৰমা সমিতি।

১৭.১.৬ সংসদীয় পৰিক্ৰমা সমিতি।

১৭.১.৭ তথ্য আৰু প্ৰচাৰ পৰিক্ৰমা সমিতি।

১৭.২ এই সমিতিসমূহ নিয়মীয়া বা সাময়িক গোট হ'ব পাৰে। এই সমিতিসমূহ কেন্দ্ৰীয় সমিতিৰ সভাপতি আৰু কৰ্ণধাৰ সমিতিৰ তত্বাৱধানত চলিব। এই সমিতিসমূহৰ বাবে সময়ে সময়ে নিয়মাৱলী প্ৰস্তুত হ'ব।

**অনুচ্ছেদ ১৮ ঃ দলৰ সংবাদপত্ৰ, মুখপত্ৰ, ৱেবছাইট আৰু ছ'চিয়েল মিডিয়া পৰিচালনা ঃ** আঞ্চলিকতাবাদৰ প্ৰতি দলীয় কৰ্মী, সদস্য, শুভাকাঙ্খীসকলৰ লগতে জনসাধাৰণক অনুপ্ৰাণিত কৰাৰ বাবে দলৰ এখন নিয়মীয়া সংবাদপত্ৰ প্ৰকাশ আৰু প্ৰচাৰৰ বাবে দলৰ সভাপতিয়ে দলৰ কৰ্ণধাৰ সমিতিৰ অনুমোদনক্ৰমে এজন জ্যেষ্ঠ অভিজ্ঞতা সম্পন্ন দলীয় ব্যক্তিক সম্পাদক হিচাপে নিযুক্তি দিব। নিযুক্তিপ্ৰাপ্ত সম্পাদকৰ লগত আলোচনামৰ্মে এখন পাঁচজনীয়া সম্পাদকীয় সমিতিও সভাপতিয়ে গঠন কৰিব। দলৰ ৱেবছাইট নিয়মীয়াভাৱে পৰিচালনা কৰাৰ বাবেও সভাপতিয়ে এজন অভিজ্ঞতা সম্পন্ন দলীয় ব্যক্তিক ৱেবছাইট ক'অৰডিনেটৰ হিচাপে নিযুক্তি দিব আৰু নিযুক্তিপ্ৰাপ্তজনৰ লগত আলোচনা কৰি তিনিজন অতিৰিক্ত দলীয় ব্যক্তিক সহযোগী ক'অৰডিনেটৰ হিচাপে নিযুক্তি দিব।

**অনুচ্ছেদ ১৯ ঃ**

**পুঁজি সংগ্ৰহ, ব্যয় আৰু হিচাপ পৰীক্ষা ঃ**

কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সমিতিয়ে প্ৰতি তিনি বছৰৰ বাবে বিত্তীয় সমিতি গঠন কৰিব। বিত্তীয় সমিতিত ৫ জন সদস্য থাকিব। কেন্দ্ৰীয় বিত্ত সম্পাদকজন তাৰ সদস্য/আহ্বায়ক হ'ব। সেই সমিতিখনে দলৰ পুঁজি সংগ্ৰহ কৰিব আৰু দলৰ বেংক একাউণ্টত জমা ৰাখিব। এই সমিতিখনেই খৰচ আৰু খৰচৰ হিচাপৰ বাবে দায়বদ্ধ হ'ব। সমিতিখনে দলৰ সভাপতিৰ লগত সঘন যোগাযোগ ৰক্ষা কৰিব আৰু সভাপতিৰ পৰামৰ্শ গ্ৰহণ কৰিব। সভাপতিয়ে সমিতিখন সঠিকভাৱেপৰিচালিত হোৱাৰ প্ৰতি দৃষ্টি ৰাখিব। দলে নিশ্চয়তা প্ৰদান কৰে যে দলৰ পুঁজিৰ ধন ৰাজনৈতিক কাম-কাজ পৰিচালনাৰ বাবে ব্যৱহাৰ কৰা হ'ব। দলৰ পুঁজি 'কেগ'ৰ পেনেলৰ অন্তৰ্ভুক্ত হিচাপ পৰীক্ষকৰ দ্বাৰা হিচাপ পৰীক্ষা কৰোৱা হ'ব আৰু এই পৰীক্ষিত বাৰ্ষিক হিচাপ প্ৰতিটো বিত্তীয় বছৰৰ শেষত ৬ মাহৰ ভিতৰত দেশৰ নিৰ্বাচন আয়োগৰ হাতত দাখিল কৰিব। একেদৰে জিলা সমিতিসমূহেও কেন্দ্ৰীয় সমিতিৰ আৰ্হিৰে আগবাঢ়িব। দলৰ পুঁজিৰ উৎস হ'ব ৰাইজৰ পৰা দান বৰঙণি সংগ্ৰহ কৰা আৰু ভাৰতবৰ্ষৰ নিৰ্বাচন আয়োগৰ বিধিৰ অধীনত বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠানৰ পৰা বৰঙণি সংগ্ৰহ কৰা। আনহাতে দলৰ নিৰ্বাচিত বিধায়ক আৰু সাংসদসকলে নিজৰ দৰমহাৰ ২০ শতাংশ আৰু পেঞ্চনৰ ১০ শতাংশ দলৰ কেন্দ্ৰীয় পুঁজিত জমা দিব। যিসকল দলৰ কৰ্মী চৰকাৰী চাকৰিত নিযুক্ত তেওঁলোকে আৰু অন্য নিয়মীয়া উপাৰ্জন থকাসকলেও দলৰ পুঁজিলৈ মাহেকীয়া বৰঙণি আগবঢ়াব।

**অনুচ্ছেদ ২০ ঃ দল পৰিচালনাৰ নীতি আৰু অনুশাসনমূলক নীতিসমূহ ঃ**

আমাৰ দলৰ দল পৰিচালনাৰ নীতিটো হ'ল গণতান্ত্ৰিক কেন্দ্ৰিকতা নীতি।

**২০.১ দলীয় অনুশাসনৰ নীতিসমূহ ঃ**

২০.১.১ ব্যক্তি সমিতিৰ অধীন। কোনো ব্যক্তিগত সিদ্ধান্ত কোনেও দলৰ ওপৰত জাপি দিব নোৱাৰিব। সভাপতিকে ধৰি দলৰ যিকোনো পৰ্যায়ৰ নেতা বা কৰ্মীয়ে গণতান্ত্ৰিকভাৱে, সকলোকে লগত লৈ, আলোচনা বিলোচনাৰ মাজেৰে দল পৰিচালনা কৰিব।

২০.১.২ সংখ্যালঘু সংখ্যাগুৰুৰ অধীন। দলৰ কোনো এটা প্ৰস্তাৱ বা সিদ্ধান্ত গ্ৰহণ কৰাৰ সময়ত সকলোৱে মতামত দিব পাৰিব, আলোচনা কৰিব, সমালোচনাও কৰিব পাৰিব। মতানৈক্যই দেখা দিলে সংখ্যাধিক্যৰ ভিত্তিত গ্ৰহণ হ'ব। সিদ্ধান্ত গ্ৰহণৰ পূৰ্বে আটায়ে নিজৰ নিজৰ মতামত দিব পাৰিব, সমালোচনা কৰিব পাৰিব, কিন্তু সিদ্ধান্ত গ্ৰহণৰ পাছত আটায়ে তাক মানি ল'ব লাগিব।

২০.১.৩ দলৰ নিম্নতৰ সমিতিবোৰ সাংগঠনিক ক্ষেত্ৰৰ উচ্চতৰ সমিতিৰ অধীন।

২০.১.৪ নেতা-কৰ্মীক সমালোচনা কৰাৰ আটাইৰে অধিকাৰ থাকিব কিন্তু সেয়া হ'ব লাগিব নিজৰ দলৰ মঞ্চত। সাংগঠনিক শৃংখলা ৰক্ষা কৰিহে সমালোচনা কৰা দৰকাৰ।

২০.১.৫ দলৰ বাহিৰত দলৰ সমালোচনাৰ স্বভাৱ পৰিত্যাগ কৰা। দলৰ বাহিৰত কৰা সমালোচনা কোনোপধ্যে গ্ৰহণযোগ্য নহ'ব।

২০.১.৬ ব্যক্তিগত আক্ৰমণ-প্ৰত্যাক্ৰমণৰ পৰা দলৰ সকলো পৰ্যায়ৰ নেতা-কৰ্মী আঁতৰি থাকিব লাগিব। মুঠতে সমালোচনাৰ উদ্দেশ্য হ'ব লাগে সাংগঠনিক আৰু ৰাজনৈতিক ভুল আঙুলিয়াই দিয়া; অপ্ৰয়োজনীয়, দলৰ লগত সম্পৰ্ক নোহোৱা সমালোচনা ত্যাগ কৰিব লাগিব।

২০.১.৭ দলৰ ভিতৰত গোষ্ঠীবাদ, লবীবাদ, সামন্তীয় দাম্ভিকতা বা আমোলাতান্ত্ৰিক মনোভাৱ সম্পূৰ্ণ পৰিত্যাগ কৰিব লাগিব।

২০.২ **কি কাৰণে অনুশাসনমূলক ব্যৱস্থা গ্ৰহণ কৰা হ'ব** — দলৰ সংবিধান, লক্ষ্য-উদ্দেশ্য বিৰোধী কাম-কাজ, দল বিৰোধী কাম-কাজ, অসৎ আচৰণ, অৰ্থনৈতিক কেলেংকাৰী, গুৰুতৰ ধৰণৰ খেলিমেলি যিয়ে দলৰ ক্ষতি কৰে। দলৰ কোনো সদস্য বা নেতাই দল পৰিচালনাৰ নীতিসমূহ মানি নচলিলে, দলীয় শৃংখলা ভংগ কৰিলে, দলৰ ভাৰমূৰ্তি জনমানসত হেয় প্ৰতিপন্ন কৰিলে, দুৰ্নীতি বা অন্য ধৰণৰ ভ্ৰষ্টাচাৰত লিপ্ত হ'লে আৰু দলৰ মজিয়াত নৈৰাজ্যৰ সৃষ্টি কৰিলে তলৰ শাস্তিমূলক ব্যৱস্থাসমূহ গ্ৰহণ কৰা হ'ব —

ক) কাৰণ দৰ্শোৱা জাননী প্ৰেৰণ।

খ) সতৰ্কবাণী প্ৰদান বা ভৎৰ্সনা কৰা।

গ) দলীয় বিষয়বাবৰ পৰা অব্যাহতি দিয়া।

ঘ) নিলম্বন কৰা।

ঙ) প্ৰাথমিক সদস্য পদৰ পৰা নিলম্বন বা বহিষ্কাৰ কৰা।

চ) বহিষ্কাৰ কৰা।

ছ) দলে লোৱা যিকোনো সিদ্ধান্ত। এই সিদ্ধান্তসমূহ লোৱাৰ আগতে অভিযোগ উঠা বিষয়ববীয়া বা সদস্যজনে তেওঁৰ ওপৰত উঠা অভিযোগ খণ্ডনৰ সুযোগ লাভ কৰিব। যিকোনো অভিযোগ উত্থাপন হোৱাৰ পাছত তেওঁ দলৰ মজিয়াত নিজৰ বক্তব্য প্ৰকাশ কৰিব পাৰিব আৰু লিপিবদ্ধ কৰিব পাৰিব। এই সিদ্ধান্তসমূহ ল'বলৈ দলে সময়ে সময়ে সংশ্লিষ্ট সমিতিসমূহৰ সভাপতিসকলৰ তত্বাৱধানত অনুশাসন সমিতি গঠন কৰিব পাৰিব। বিভিন্ন স্তৰৰ সমিতিত নিজ নিজ সমিতিৰ বিষয়ববীয়া বা সদস্যৰ ক্ষেত্ৰত সংশ্লিষ্ট সমিতিত সিদ্ধান্ত হ'ব।

| | |
|---|---|
| **২০.৩** | **দলীয় অনুশাসন গ্ৰহণৰ নিয়মসমূহ ঃ** |
| ২০.৩.১ | দলৰ সদস্যসকলৰ ভুলবোৰ সহানুভূতিৰে শুধৰাই দিয়াৰ প্ৰয়োজন। কোনো বিচ্ছিন্ন ঘটনাৰে একোজন সদস্যক মূল্যায়ন নকৰি সামগ্ৰিকভাৱে তেওঁৰ দলৰ প্ৰতি অৱদান, আনুগত্য আৰু ৰাইজৰ প্ৰতি সেৱাৰ মনোভাৱলৈ দৃষ্টি দিয়া উচিত। |
| ২০.৩.২ | নিম্নতৰ সমিতিসমূহৰ সভাপতি-সম্পাদকৰ ওপৰত অনুশাসনমূলক ব্যৱস্থা গ্ৰহণৰ বাবে নিকটৱৰ্তী উচ্চতৰ সমিতিসমূহৰ অনুমোদনৰ প্ৰয়োজন হ'ব। |
| ২০.৩.৩ | নিম্নতৰ সমিতিৰ সিদ্ধান্ত যথোপযুক্ত নহয় বুলি বিবেচনা কৰিলে পুনৰ বিবেচনাৰ বাবে আবেদন জনাব পাৰিব। |
| ২০.৩.৪ | নিম্নতৰ সমিতিসমূহৰ অশুদ্ধ সিদ্ধান্ত সন্দৰ্ভত জিলা সমিতিয়ে হস্তক্ষেপ কৰি সঠিক সিদ্ধান্তৰ বাবে চেষ্টা কৰিব। |
| ২০.৩.৫ | কেন্দ্ৰীয় সমিতিয়ে সকলো অনুশাসনমূলক ব্যৱস্থা সন্দৰ্ভত নিজৰ সুচিন্তিত মতামত আৰু সিদ্ধান্ত দিব পাৰিব। |
| ২০.৩.৬ | কেন্দ্ৰীয় সমিতিৰ সভাপতিয়ে ভুল অনুশাসনমূলক ব্যৱস্থাৰ ক্ষেত্ৰত প্ৰত্যক্ষ হস্তক্ষেপ কৰি সংশ্লিষ্ট সমিতিসমূহক বিশ্বাসত লৈ বিষয়টো মীমাংসা কৰিব পাৰিব। |
| ২০.৩.৭ | বহিষ্কাৰৰ সন্মুখীন হোৱা সদস্য বা নেতাই তেওঁৰ বহিষ্কাৰৰ সিদ্ধান্তক পুনৰ বিবেচনাৰ বাবে দলৰ সংশ্লিষ্ট সমিতি বা উচ্চতৰ সমিতিসমূহ আৰু কেন্দ্ৰীয় সমিতিৰ ওচৰত আবেদন কৰিব পাৰিব। |

**অনুচ্ছেদ ২১ ঃ দল পৰিচালনাৰ বিধি ঃ**

| | |
|---|---|
| ২১.১ | দলৰ সকলো পৰ্যায়ৰ কাৰ্যনিৰ্বাহক সমিতিৰ বৈঠক বছৰত অন্ততঃ চাৰিবাৰ অনুষ্ঠিত হ'ব। |
| ২১.২ | দলৰ যিকোনো পৰ্যায়ৰ সভাৰ থূল হ'ব সমিতিৰ মুঠ সদস্যৰ তিনিভাগৰ এক অংশ। |

২১.৩ দলৰ সকলো সাধাৰণ সভা অথবা বিশেষ সভা সংশ্লিষ্ট সভাসমূহৰ বিধি অনুসৰি অনুষ্ঠিত হ'ব।

২১.৪ দলৰ যিকোনো সভাৰ সিদ্ধান্ত সৰ্বসন্মতিক্ৰমে গ্ৰহণৰ চেষ্টা কৰা হ'ব। কিন্তু যদিহে কোনো ক্ষেত্ৰত দলৰ সভাৰ সিদ্ধান্ত, প্ৰস্তাৱ সৰ্বসন্মতিক্ৰমে গৃহীত নহয়, তেন্তে সভাত উপস্থিত থকা সদস্যসকলৰ সংখ্যাগৰিষ্ঠৰ মতৰ ভিত্তিত সিদ্ধান্ত গ্ৰহণ হ'ব।

২১.৫ দলৰ সকলো পৰ্যায়ৰ সভাত সভাৰ প্ৰতিবেদন, প্ৰস্তাৱ আৰু সিদ্ধান্তসমূহ নিয়ম অনুসৰি লিপিবদ্ধ হ'ব আৰু সেইবোৰ সংশ্লিষ্ট সমিতিসমূহলৈ প্ৰেৰণ কৰাৰ উপৰিও দলৰ সাধাৰণ সম্পাদক আৰু সম্পাদকসকলে সঠিকভাৱে সংৰক্ষণ কৰি ৰাখিব।

**অনুচ্ছেদ ২২ ঃ**

**দলীয় নিয়মাৱলী প্ৰণয়ন ঃ**

দলৰ বিভিন্ন বিষয়ৰ পৰিচালনাৰ নিয়মাৱলী আৰু আচৰণবিধি প্ৰণয়ন বাবে কেন্দ্ৰীয় সমিতিয়ে সংশ্লিষ্ট বিষয়ৰ লগত জড়িত বিষয়ববীয়াসকলৰ লগত অন্যান্য বিশেষজ্ঞ সদস্য অন্তৰ্ভুক্ত কৰি সমিতি তৈয়াৰ কৰিব। সেই সমিতিয়ে তৈয়াৰ কৰা নিয়মাৱলী বা আচৰণবিধি কৰ্ণধাৰ সমিতিয়ে গৃহীত কৰিব লাগিব। তাৰ পাছত সভাপতিৰ অনুমোদন সাপেক্ষে কেন্দ্ৰীয় কাৰ্যনিৰ্বাহকৰ অনুমোদন ল'ব লাগিব।

**অনুচ্ছেদ ২৩ ঃ**

**দলীয় নিৰ্বাচন পৰিচালনা পদ্ধতি ঃ**

দলৰ যিসকল বিষয়ববীয়াৰ পদ প্ৰত্যক্ষভাৱে নিৰ্বাচিত হ'ব সেইসকল বিষয়ববীয়া নিৰ্বাচনৰ বাবে দলৰ মজিয়াত নিৰ্বাচন পৰিচালনা সমিতি গঠন কৰিব লাগিব। প্ৰতিখন কেন্দ্ৰীয় অধিৱেশনৰ এমাহৰ পূৰ্বে এই নিৰ্বাচন পৰিচালনা সমিতি গঠন কৰিব। জিলা সমিতিৰ অধিৱেশনৰ ২০ দিনৰ পূৰ্বে জিলা

নির্বাচন পৰিচালনা সমিতি গঠন হ'ব। প্ৰাথমিক আৰু শাখা সমিতিৰ গঠনৰ বাবে নির্বাচন পৰিচালনা সমিতি গঠনৰ প্ৰয়োজন নহ'ব। অধিৱেশনৰ সময়তে নির্বাচন অনুষ্ঠিত হ'ব। আঞ্চলিক সমিতি, নগৰ সমিতি, মণ্ডল সমিতি আৰু ব্লক সমিতিৰ নির্বাচন পৰিচালনাৰ বাবে ১০ দিনৰ পূৰ্বে নির্বাচন পৰিচালনা সমিতি গঠন কৰিব লাগিব। সমষ্টি সমিতি গঠনৰ বাবেও ১০ দিনৰ সময়সীমাৰ পূৰ্বে নির্বাচন পৰিচালনা সমিতি গঠন হ'ব। কেন্দ্ৰীয় সমিতিৰ বিষয়ববীয়াৰ নির্বাচনৰ বাবে মনোনয়ন পত্ৰ দিয়াৰ ব্যৱস্থা থাকিব। সেই মনোনয়ন পত্ৰ ১০ জন প্ৰস্তাৱকে প্ৰস্তাৱ কৰিব আৰু ৫ জনে সমৰ্থন কৰিব। প্ৰস্তাৱক আৰু সমৰ্থকসকল বিভিন্ন জিলাৰ সভাপতি বা সাধাৰণ সম্পাদক বা কেন্দ্ৰীয় কাৰ্যনির্বাহক সদস্য হ'ব লাগিব। কেন্দ্ৰীয় নির্বাচন পৰিচালনা সমিতিয়ে জাননী যোগে মনোনয়ন পত্ৰ জমা লোৱাৰ, মনোনয়ন পত্ৰৰ পৰীক্ষা আৰু মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ তাৰিখ ঘোষণা কৰিব। মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ দিন শেষ হোৱাৰ পাছত একোটা পদৰ বাবে একাধিক প্ৰাৰ্থী হ'লে নির্বাচন অনুষ্ঠিত হ'ব। জিলা সমিতিৰ বিষয়ববীয়া নির্বাচনৰ ক্ষেত্ৰতো একেই নীতি হ'ব। এই ক্ষেত্ৰত প্ৰস্তাৱকৰ সংখ্যা হ'ব ৫ জন আৰু সমৰ্থকৰ সংখ্যা হ'ব ২ জন। প্ৰস্তাৱক আৰু সমৰ্থকসকল সংশ্লিষ্ট জিলাৰ সমষ্টি বা ব্লক বা মণ্ডল সমিতিৰ বিষয়ববীয়া হ'ব লাগিব। মণ্ডল সমিতি, ব্লক সমিতি আৰু সমষ্টি সমিতিৰ বিষয়ববীয়া নির্বাচনো একেই গণতান্ত্ৰিক পদ্ধতিৰে অনুষ্ঠিত হ'ব।

**অনুচ্ছেদ ২৪ ঃ সংবিধান সংশোধন ঃ**

২৪.১ সংবিধানৰ কোনো দফা বা অনুচ্ছেদৰ কোনো বিষয় সংশোধন বা সংযোজন কৰিব খুজিলে সেই প্ৰস্তাৱ প্ৰথমে দলৰ কাৰ্যনির্বাহক বা সাধাৰণ পৰিষদ বা কৰ্ণধাৰ সমিতিত লিখিতভাৱে উত্থাপন কৰিব লাগিব।

২৪.২ জিলা সমিতিসমূহেও কেন্দ্ৰীয় সমিতিৰ কাৰ্যনিৰ্বাহক বা সাধাৰণ পৰিষদত প্ৰস্তাৱটো বিবেচনাৰ বাবে উত্থাপন কৰিব পাৰে।

২৪.৩ সেই প্ৰস্তাৱ কাৰ্যনিৰ্বাহক বা সাধাৰণ পৰিষদ বা কৰ্ণধাৰ সমিতিয়ে গ্ৰহণ কৰাৰ পাছত তাক সাধাৰণ পৰিষদত বা অধিৱেশনত আলোচনাৰ বাবে মুকলি কৰি দিব। কিন্তু আলোচনাৰ বাবে মুকলি কৰি দিয়াৰ এমাহ পূৰ্বে কেন্দ্ৰীয় কাৰ্যনিৰ্বাহকৰ সকলোবোৰ কাৰ্যনিৰ্বাহক সদস্য আৰু বিষয়ববীয়ালৈ প্ৰেৰণ কৰিব লাগিব। সাধাৰণ পৰিষদ বা অধিৱেশনত বিষয়টো পুংখানুপুংখ আলোচনাৰ পাছত উপস্থিত সদস্যৰ দুই তৃতীয়াংশই গ্ৰহণ কৰিলে সংবিধান সংশোধন কৰিব পাৰিব।

২৪.৪ গুৰুতৰ বিষয়, যেনে সংবিধানৰ ঘোষিত আদৰ্শৰ সালসলনি আৰু সাংগঠনিক গুৰুতৰ সালসলনি বিষয়ত সংশোধন হ'লে জিলা সমিতিৰ অনুমোদনৰ বাবে প্ৰেৰণ কৰিব লাগিব। দুই তৃতীয়াংশ জিলা সমিতিৰ অনুমোদনৰ পাছতহে ৰাজ্যিক অধিৱেশনত উত্থাপন কৰি তেনে সংবিধান সংশোধনৰ প্ৰস্তাৱ গৃহীত কৰিব পাৰিব।

**অনুচ্ছেদ ২৫ ঃ একত্ৰীকৰণ, বিভাজন আৰু ভংগকৰণৰ নিয়ম ঃ**

২৫.১ "ৰাইজৰ দল"ক আন দলৰ সৈতে একত্ৰীকৰণ কৰিবলৈ বা এই দলক বিভাজন কৰিবলৈ অথবা ইয়াক একেবাৰে ভংগ কৰি দিবলৈ হ'লে দলৰ কেন্দ্ৰীয় সাধাৰণ পৰিষদৰ বৈঠক অনুষ্ঠিত কৰিব লাগিব। দলৰ কেন্দ্ৰীয় সাধাৰণ পৰিষদৰ পূৰ্ণাংগ অধিৱেশন অনুষ্ঠিত কৰি সকলো যোগ্য আৰু অধিকাৰপ্ৰাপ্ত সদস্যৰ মাজত অনুষ্ঠিত অধিৱেশনত দলৰ ২/৩ অংশ সদস্যৰ থূল হ'ব লাগিব।

২৫.২ পূৰ্ণাংগ সাধাৰণ অধিৱেশনৰ উপস্থিত সদস্যসকলৰ কমেও দুই তৃতীয়াংশ সদস্যৰ ভোটেৰে একত্ৰীকৰণ, বিভাজন বা ভংগকৰণৰ প্ৰস্তাৱ গৃহীত হ'ব লাগিব।

২৫.৩ দলৰ পূৰ্ণাংগ জিলা সমিতিৰ অতি কমেও ৫০ শতাংশ সমিতিয়ে এনে প্ৰস্তাৱ গৃহীত কৰিব লাগিব।

**অনুচ্ছেদ ২৬ ঃ ভাৰতৰ নিৰ্বাচন আয়োগে অনুষ্ঠিত কৰা নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা**

২৬.১ ৰাইজৰ দলে ভাৰতৰ নিৰ্বাচন আয়োগে অনুষ্ঠিত কৰা সকলোবোৰ নিৰ্বাচনতে অংশগ্ৰহণ কৰিব। লোকসভা, ৰাজ্যসভা, বিধানসভা, গাঁও পঞ্চায়ত, টাউন কমিটী, পৌৰসভা, পৌৰ নিগম আৰু অন্যান্য সকলোৰে বাবে অনুষ্ঠিত হোৱা নিৰ্বাচনসমূহতো ৰাইজৰ দলে প্ৰতিদ্বন্দ্বিতা কৰি যাব।

*বিঃদ্ৰঃ— ৰাইজৰ দলৰ সংবিধানৰ খচৰা প্ৰতিলিপি ১৭ অক্টোবৰ, ২০২০ তাৰিখে ৰাজহুৱা কৰি দলৰ ৱেবছাইট www.raijordol.orgত প্ৰকাশ কৰা হয়। এই খচৰা সংবিধানৰ ওপৰত অসমৰ নাগৰিক সকলৰ মতামত অহাৰ পাছত পুনৰ সংশোধন কৰা হয়। সেই সংশোধিত ৰূপৰ সংবিধানখন ৰাইজৰ দলৰ ৭ জানুৱাৰীৰ পৰা ৯ জানুৱাৰী, ২০২১ তাৰিখলৈ ডিব্ৰুগড় জিলাৰ মৰাণত অনুষ্ঠিত প্ৰথম ৰাজ্যিক অধিৱেশনৰ প্ৰতিনিধি সভাত বিতংভাৱে আলোচনা কৰা হয়। তাৰ পাছত এই সংবিধানৰ ওপৰত অধিৱেশনৰ সাধাৰণ পৰিষদত আলোচনা কৰি ৮ জানুৱাৰী, ২০২১ তাৰিখে গৃহীত কৰা হয়।*

*০৩-০৭-২০২১ তাৰিখে শিৱসাগৰত অনুষ্ঠিত হোৱা ৰাইজৰ দলৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহকত দলৰ সভাপতিয়ে লিখিতভাৱে উত্থাপন কৰা সংবিধানৰ অনুচ্ছেদ ২৬ৰ সংযোজনৰ প্ৰস্তাৱ ০৮-০৮-২০২১ তাৰিখে গুৱাহাটীত অনুষ্ঠিত হোৱা দলৰ সাধাৰণ সভাই সৰ্বসন্মতিক্ৰমে গ্ৰহণ কৰে।*

**ৰাইজৰ দলৰ প্ৰচাৰ সম্পাদকৰ দ্বাৰা প্ৰচাৰিত আৰু প্ৰকাশিত**
**মুখ্য কাৰ্যালয়ঃ** ঘৰ নং- ১, মঠঘৰীয়া (মডাৰ্ণ হাইস্কুলৰ ওচৰত)
জু-নাৰেংগী ৰোড, গুৱাহাটী- ২০, অসম